REFERENCE
(Not for Issue)
Reading Only Inside Library

# Debates of the Assam Legislative Assembly, 1971

*Budget Session*

Vol. I No. 10

**The 23rd March, 1971**

CONTENTS

| | | Pages |
|---|---|---|
| 1. | Starred Questions and Answers | 1 |
| 2. | Unstarred Questions and Answers | 21 |
| 3. | Report of the Business Advisory Committee | 23 |
| 4. | Re : Privilege Motion— Broadcast of policy announcement by All India Radio | 24 |
| 5. | Calling Attention To a Matter of Urgent Public Importance—Missing of a patient from the Gauhati Medical College | 34 |
| 6. | Statement by the Chief Minister—Death of a person in Dibrugarh Police Station Lock-up | 37 |
| 7. | Discussion on rising prices of foodstuff in the State | 39 |
| 8. | Re : Privilege Motion | 50 |
| 9. | Discussion on rising prices of foodstuff in the State | 51 |
| 10. | Privilege Motion—Policy announcement by the All India Radio | 80 |
| 11. | Adjournment | 94 |

Proceedings of the Eleventh Session of the Assam Legislative Assembly Assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India

The Assembly met in the Assembly Chamber, Shillong, at 10 A.M. on Tuesday, the 23rd March, 1971.

## PRESENT

Shri Mohi Kanta Das. M. A, B. L., Speaker, in the Chair, **twelve** Ministers, **eight** Ministers of State, **two** Deputy Ministers and **sixty one** Members.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral replies were given )

নতুন ৰাজধানীৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ টকাৰ অনুদান

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৪২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) অসমৰ ৰাজধানী নিৰ্ম্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰে কিমান টকা দিবলৈ প্ৰতিশ্ৰুতি দিছে ?

(খ) ৰাজধানীখন সম্পূৰ্ণকৈ নিৰ্ম্মাণ কৰিবলৈ কিমান কোটি টকাৰ দৰকাৰ হব ?

(গ) ৰাজধানীৰ স্থান নিৰ্দ্ধাৰণ কৰা হ'ল নে কি ?

মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীয়ে উত্তৰ দিছে ঃ

৪২। (ক), (খ) আৰু (গ)—নতুন ৰাজধানীৰ ঠাই এতিয়ালৈ নিৰ্ণয় হোৱা নাই। সেইকাৰণে নতুন ৰাজধানী নিৰ্ম্মাণত কিমান টকাৰ প্ৰয়োজন হব তাৰ পৰিমাণ নিৰ্ণয় কৰা টান।

মেঘালয়ক পূৰ্ণৰাজ্যৰ মৰ্য দা দিয়াৰ সন্দৰ্ভত যোৱা ১০ নবেম্বৰ তাৰিখে প্ৰধান মন্ত্ৰীয়ে লোকসভাত এটি বিবৃত্তি দিছিল। সেই বিবৃত্তিত কোৱা হৈছিল যে অসমৰ নতুন ৰাজধানী নিৰ্ম্মাণত দৰকাৰ হোৱা পুঁজিৰ প্ৰশ্নটো কেন্দ্ৰীয় চৰকাৰে সহানুভূতিৰে বিবেচনা কৰিব। এই প্ৰসঙ্গত এইটো উল্লেখ কৰিব পাৰি যে যোৱা ২ অক্টোবৰ তাৰিখে শৰণীয়াৰ গান্ধী মণ্ডপ উদ্বোধন কৰোঁতে প্ৰধান মন্ত্ৰীলৈ চৰকাৰৰ তৰফৰ পৰা এখন স্মাৰক-পত্ৰ আগবঢ়োৱা হৈছিল। তাত অনুৰোধ কৰা হৈছিল যে নতুন ৰাজধানী নিৰ্ম্মাণৰ বাবে আৱশ্যক হোৱা সকলো খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰিব লাগিব। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা এতিয়ালৈকে তদথে কোনো সঠিক প্ৰতিশ্ৰুতি আহি পোৱা নাই।

Shri Bhadreswar Gogoi—অধ্যক্ষ মহোদয়, নতুন ৰাজধানী পাতিবৰ কাৰণে কিমান টকা লাগিব তাৰ Scheme আদি কৰি কেন্দ্ৰীয় চৰকাৰক জনোৱা হোৱা নাই নে?

Shri Mahendra Mohan Choudhury—এইটো কৰিব পৰা হোৱা নাই স্থান নিৰ্ণয় নোহোৱাৰ কাৰণে। যেতিয়ালৈকে ৰাজধানীৰ স্থান নিৰ্ণয় নহয় তেতিয়ালৈকে আনুমানিক খৰচ কিমান হব কোৱা টান।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, নীতিগত ভাৱে ৰাজধানী স্থানান্তৰিত কৰিব লাগে। মেঘালয়ে পূৰ্ণাঙ্গ মৰ্যাদা লোৱাকে আদি কৰি সকলো বিলাক কথা কেন্দ্ৰীয় চৰকাৰেই কৰি আছে। আমাৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীয়েও কৈছে যে ৰাজধানীৰ স্থান নিৰ্ণয় হোৱা নাই। গতিকে এনে অৱস্থাত আঁচনি আদি কৰি কিমান টকা লাগিব কোৱা টান। মুখ্যমন্ত্ৰী দিল্লীলৈ যাওঁতে এই সম্পৰ্কে আলোচনা হৈছিল। নীতিগত ভাৱে তেখেতে আমাক জনাব পাৰিবনে যে নতুনকৈ নিৰ্ম্মাণ হোৱা হাৰিয়ানা, পঞ্জাব, চণ্ডিগড় আদিত ১০০% খৰচ কেন্দ্ৰীয় চৰকাৰে বহন কৰাৰ দৰে

আমাৰ নতুন ৰাজধানীখনৰ নিৰ্ম্মাণৰ খৰচো কেন্দ্ৰীয় চৰকাৰেই বহন কৰিব লাগিব। এই বুলি আমাৰ অসম চৰকাৰে নেভাৱেনে? আৰু যদি ভাৱে তেন্তে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই খৰচ বহন কৰিম বুলি কিবা প্ৰতিশ্ৰুতি পাইছেনে?

Shri Mahendra Mohan Choudhury—চণ্ডিগড়, হাৰিয়ানা আদি নতুন ৰাজধানী নিৰ্ম্মাণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে আধাখিনি সাহাৰ্য্য হিচাবে আৰু বাকী আধাখিনি ঋণ মঞ্জুৰী হিচাবে দিছে। যিবিলাক পৰিস্থিতিত হাৰিয়ানা, পঞ্জাৱ আদিত নতুন ৰাজধানী হৈছে তাতকৈ অসমৰ পৰিস্থিতিটো অলপ বেলেগ। কাৰণ আমাৰ ফালৰ পৰা নতুন ৰাজ্যৰ দাবী নাছিল। তথাপিও মেঘালয় ৰাজ্য গঠন কৰিবলগীয়া হোৱাৰ কাৰণে বাধ্যহৈ আমাৰ কাৰণে বেলেগ ৰাজধানী পাতিব লগা হ'ল। এইটো হোৱাৰ কাৰণে ইয়াৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰেই সম্পূৰ্ণ বহন কৰিব লাগে। এই কথা কেন্দ্ৰীয় চৰকাৰৰ বিত্তমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীকো কৈছো। বিত্তমন্ত্ৰীয়ে দিয়া আশ্বাসৰ পৰা এইটোকে আশা কৰিব পাৰি যে যিমান টকা খৰচ হব সিমান টকাই দিব।

Shri Bhadreswar Gogoi—ৰাজধানীৰ স্থান নিৰ্ণয়ত কিমান দেৰি হব এইটো জনাবনে? আৰু কলিয়াবৰত ৰাজধানী পাতিব লাগে বুলি কোনো আবেদন পাইছেনে?

Shri Mahendra Mohan Choudhury—বৰ্ত্তমান ৰাজধানীৰ কাৰণে বেলেগ বেলেগ ঠাইৰ পৰা যেনে—যোৰহাট, গোলাঘাট, উত্তৰ গুৱাহাটী আৰু গুৱাহাটীৰ পৰাও আহিছে। এই আপত্তি অহা ঠাই বিলাকত থকা সা-সুবিধা বিলাক চাবৰ কাৰণে নিযুক্তি কৰা Expert Committee-এ পৰীক্ষা কৰি আছে। এই Committee এ সোনকালেই Report দিব বুলি আশা কৰিছো। যিমান সোনকালে পৰা যায় ৰাজধানীৰ প্ৰশ্ন মিমাংসা কৰিব লাগে।

M. Shamsul Huda—মুখ্যমন্ত্ৰীয়ে জনাবনে যে ৰাজধানীৰ স্থান নিৰ্ণয়ৰ কাৰণে Expert Committee ও পাতি দিছে আৰু Cabinet Sub-committee ও পাতি দিছে। এইটো চিৰদিনৰ কাৰণেই পাতি দিছে

সীমাত বিৰাট পাহাৰী এলেকা জুৰি, যোৰাবাট অঞ্চলত কৰাৰ কথা চৰকাৰে বিবেচনা কৰিবনে ?

Shri Mahendra Mohan Choudhury —অনুমোদনৰ বিষয় বিলাক বিবেচনা কৰি ৰাজধানীৰ স্থান নিৰ্ণয় কৰা হব।

Shri Dulal Chandra Barua—মুখ্যমন্ত্ৰী ডাঙৰীয়াই অলপ আগতে ক'লে যে মাৰ্চ্চ মাহৰ শেষত বা এপ্ৰিলৰ প্ৰথম সপ্তাহতে Fxpert কমিটি'য় Report দিয়াৰ কথা আছে ? কিন্তু Budget Session চলিব মে' মাহলৈকে। গতিকে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে Budget Session চলি থকা অৱস্থাতেই এই সিদ্ধান্তটো সদনত place কৰিবনে ?

Shri Mahendra Mohan Choudhury—চেষ্টা কৰা হব।

### Re: J. C. Gogoi's Death

Shri Maneswar Boro asked:

*43. Will the Chief Minister be pleased to state—

(a) Whether the attention of the Chief Minister has been drawn to the news item published in the Assam Tribune, dated 24 January 1971, under the Caption "J C. Gogoi's death Shrouded in Mystery" ?

(b) If so, how far this news item is correct ?

(c) Whether any enquiry has been made in respect of J.C. Gogoi's death ?

(d) If so, by whom the enquiry was made and what is the report of enquiry ?

Shri Mahendra Mohan Choudhury ( Chief Minister ) replied:

43. (a)—Yes.

(b)—This Government have noted that Shri Gogoi died under mysterious circumstances.

(c) & (d)—Shri J.C. Gogoi was an I. P. S. Officer of the

Union Territories Cadre and was serving in Manipur. As the Government of Assam were not at all connected with his service, the Government of Manipur and the Government of India were informed of two telegrams received by the State Government in this connection asking for enquiry. The result of enquiry has not yet been received from Manipur.

Shri Maneswar Boro—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নে জে.চি. গগৈক কোনে মাৰিলে, কেনেকৈ মৰা হ'ল আৰু কেনে অৱস্থাত পোৱা হ'ল?

Shri Mahendra Mohan Choudhury—তেওঁক মনিপুৰৰ ইম্ফল চহৰৰ পৰা ৩ মাইল দূৰৰ ৰাস্তা এটাত fiat গাড়ী এখনত মৰা অৱস্থাত পোৱা গৈছিল। তেওঁ Civil Dressত ডিভিত ক'লা Tie পিন্ধি আছিল।

Shri Maneswar Boro—মানুহ জনৰ লগত কি কি বস্তু আছিল?

Shri Mahendra Mohan Choudhury—তেখেতৰ ওচৰতে নিজা পিষ্টল এটা পোৱা গৈছে।

Shri Sailen Medhi—শ্ৰীগগৈ অসম চৰকাৰৰ পৰা মনিপুৰ চৰকাৰলৈ Deputation ত গৈছিল নে মণিপুৰ চৰকাৰে Direct Recruitment দিছিল? যদি তেওঁ Deputation ত গৈছিল এই ক্ষেত্ৰত অনুসন্ধান কৰা অসম চৰকাৰৰ দায়িত্ব নহয় নেকি?

Shri Mahendra Mohan Choudhury—মই উত্তৰত কৈছো—The result of enquiry has not yet been received from Manipur.

Shri Dulal Chandra Barua—The Chief Minister has stated that on receipt of certain telegrams the Government of Assam has requested the Govt. of India and the Govt. of Manipur to enquire into the matter. It is true that the Officer was at the disposal of the Gov-

ernment of Manipur, but at the same time it cannot be ignored that he is our boy. May I know whether Government received any representation from the public of Sibsagar as well as from other corners of the State to enquire into the death of the youngman under tragic circumstances.

Shri Mahendra Mohan Choudhury ( Chief Minister )—Two telegrams—one from the wife of the deceased and another from Shri P. C. Barua, President of the D strict Congress Committee and a letter from Shri Paragdhar Chaliha, Principal of the Sibsagar College, were received in this connection. On receipt of the telegrams and the letter the Government of Assam moved the Govt. of Manipur as well as the Government of India to enquire into the mysterious death of the officer, and till now no reply has been received either from the Goverment of Manipur or from the Govt. of India.

Shri Dulal Chandra Barua—Whether Government has received any information from the intelligence Branch that the officer was killed by one of his own collegues.

Shri Mahendra Mohan Choudhury—That information is not with me.

Suri Dulal Chandra Barua—Will the Govt. be pleased to ask Govt. of India to expedite the enquiry.

Shri Mahendra Mohan Choudhury—That can be done.

Re: Settlement of Refugees

Shri Benoy Krishna Ghose asked:

44. Will the Minister-in-charge of Relief and Rehabilit-

ation be pleased to state—

(a) Whether it is a fact that the refugees of Government camps in the Subdivison of Goalpara had expressed their desire to the Minister, Relief and Rehabilitation that they prefer death than leaving Assam ?

(b) Whether it is a fact that they demanded minimum one bigha of land and some rehabilitation loan from Government ?

(c) If so, whether the Government propose to settle them in Assam ?

Shri Abdul Matlib Mazumdar (Minister, Relief and Rehabilitation) replied:

44. (a)—Yes.

(b)—Yes.

(c)—A proposal to give half a bigha of land for homestead per family of the 'on dole' category with 50 bighas of land for common amenities per 100 families is pending with Government of India.

Shri Sailen Medhi—May I know how many families are there and what amount of land is proposed to be given to them ?

Shri Abdul Matlib Majumdar—The number of families is about 3000 and the area proposed to be allotted is 3307 bighas of Sarkari land 3049 of VGR land.

Shri Dulal Chandra Barua—What is the area of land proposed to be allotted to each family ?

Shri Abdul Matlib Majumdar—There is a proposal to

give half a bigha of land for homestead per family of the 'on dole' category with 50 bighas of land for common amenities per 100 families. The proposal is pending with the Govt. of India.

Shri Dulal Chandra Barua—What is the number of families proposed to be settled in Asssam by the State Government?

Shri Abdul Matlib Majumdar—About 3000 families.

Shri Dulal Chandra Barua—Is the land proposed to be allotted is sufficient to earn the bread of a family?

Shri Abdul Matlib Mazumdar—When I visited the Matia camp I found that most of the refugees were huddled together and they wanted half a bigha of land each family just for habitation. They did not ask for cultivable purpose because they were not agriculturists.

Shri Sarat Chandra Rabha—এই আশ্রয় শিবিৰ বিলাক আৰু কিমান বছৰ ধৰি চলাই থকা হব?

Shri Abdul Matlib Majumdar—No definite time can be given as to how long they will be there, but steps are being taken to disperse them as early as possible.

Shri Sailen Medhi—According to Central Government's circular, refugees who had come to this State before 1964 were not to be considered as refugees but those who came after 1964 should be considered as refugees. May I know whether Government have taken action on that circular or not?

Shri Abdul Matilb Majumdar—I think action has been taken.

Shri Dulal Chandra Barua—Is it a fact that those families who came before 1964 are still being rehabilitated or are settling themselves by force in different places of Assam? If so, what action Government have taken against those persons?

Shri Abdul Matlib Mazumdar—Government have not taken any responsibility for them.

Shri Hiralal Patwary—Since there is shortage of land in our State, may I know whether Government is thinking of rehabilitating the displaced persons by taking up certain schemes for cottage Industries and the like as has been done in Bengal, Madras and other States?

Shri Abdul Matlib Mazumdar—There is no such scheme at present.

Shri Hiralal Patwary—Whenever the question of settlement of refugees comes, the land issue comes first. But since there is no land in this State we cannot settle them on land. But we can provide them with certain kinds of facilities by which they can maintain themselves. I want to know whether Government is at all serious to tackle this problem by drawing up certain schemes based on cottage industries, weaving, etc. as has been done in Bengal, Madras and other parts of the country?

Shri Mahendra Mohan Choudhury—No scheme of the nature indicated by Mr. Patwary had been prepared. But recently we had discussions with the ex-Minister, Relief & Rehabilitation, Government of India, Mr.

Sanjivayya, in pursuance of which a team is coming. In fact, one officer had actually come and he discussed certain schemes with us. Another team is coming here and after examining their feasibility some schemes will be taken up. In addition to the rehabilitation of the refugees our people also will have the right to participate in these schemes.

Shri Benoy Krishna Ghose—May I know whether the entire lot of refugees will be settled in the district of Goalpara or they will be taken to other places of the State also?

Shri Abdul Matlib Mazumdar—They will be taken to other places also.

Shri Dulal Chandra Barua—May I know whether the schemes which will be taken up and will be financed by the Government of India or by the Government of Assam?

Shr Mahendra Mohan Choudhury—They will be cent per cent financed by the Government of India.

বিশ্ববিদ্যালয়ৰ এম্বুলেন্সত কানি জব্দ

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৪৫। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) যোৱা ১২।১০।৭০ তাৰিখে নতুন অসমীয়া খবৰ কাগজত প্ৰথম পৃষ্ঠাত পৰিৱেশিত "বিশ্ববিদ্যালয়ৰ এম্বুলেন্সত কানি জব্দ" শীৰ্ষক খবৰটো পাইছে নে ?

(খ) এই বাতৰিটোৰ সন্দৰ্ভত কোনো লোকক গ্ৰেপ্তাৰ কৰা হৈছে নেকি ?

(গ) এই কানি ক'ৰ পৰা কোনে আনিলে আৰু ক'ত কি ব্যৱহাৰৰ কাৰণে অনা হৈছিল আৰু জব্দ হোৱাৰ পাচত কানিখিনি কি কৰা হ'ল জনাব নে ?

আৰকাৰী বিভাগৰ মন্ত্ৰী শ্ৰীৰমেশ চন্দ্ৰ বৰুৱাই উত্তৰ দিছে:

৪৫। (ক)--হয়।

(খ)--এই সন্দৰ্ভত আজিলৈকে তিনি জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

(গ --এইবিলাক কথা তদন্তাধীন হৈ আছে। জব্দ হোৱাৰ পিছত সেই কানি গুৱাহাটীৰ ট্ৰেজাৰীত ৰখা হৈছে।

Shri Bhadreswar Gogoi—অধ্যক্ষ মহোদয়, এই জব্দ হোৱা মানুহ তিনিজনৰ নাম কেইটা জানেনে?

Shri Ramesh Chandra Barua—মানুহ কেইজনৰ নাম হৈছে শ্ৰীৰামগনেশ সিং বিশ্ববিদ্যালয়ৰ Pick up van ৰ Handiman, আমিৰ আলি Driver আৰু শ্ৰীচোতালাল সিং university ৰ কৰ্মচাৰী।

Shri Bhadreswar Gogoi—এই কানি ক'ৰ পৰা আহিছে?

Shri Ramesh Chandra Barua—যতদূৰ সম্ভৱ বিহাৰৰ পৰাই হব—কাৰণ মানুহ কেইজন বিহাৰী।

Shri Bhubaneswar Barman—এই গড়ীখন জব্দ কৰোতে তাত অন্য কোনো ৰেলেগ যাত্ৰী আছিল নেকি?

Shri Ramesh Chandra Barua - তাত কোনো অন্য যাত্ৰী নাছিল।

Shri Debeswar Sarma—কোন বিশ্ববিদ্যালয়ত?

Shri Ramesh Chandra Barua—গুৱাহাটী বিশ্ববিদ্যালয়ত।

Shri Mohidhar Pegu—অধ্যক্ষ ডাঙৰীয়া, তাত কানিৰ পৰিমাণ কিমান আছিল?

Shri Ramesh Chandra Barua—৩ কিলোগ্ৰাম।

Shri A.N. Akram Hussain—অধ্যক্ষ মহোদয়, এই বিশ্ববিদ্যালয়ৰ গাড়ী বিলাক কানি কঢ়িয়াবৰ নিমিত্তে দিয়া হয় নে কি?

Shri Ramesh Chandra Barua—নহয়।

**Re: Agricultural Bundh from Garmari-Bhedau Ati to Rupahibari**

Shri Pitsing Konwar asked:

*46. Will the Minister-in-charge of Agriculture be pleased to state—

(a) Whether a representation has been received from the local M. L. A. for reconstruction of the Agricultural Bundh from Garmari-Bhedau Ati to Rupahibari ?

(b) If the reply to (a) about be in the affirmative then what steps have been taken so far by the Government in this regard ?

(c) Whether Government be pleased to take steps to construct the Agricultural Bundh from Kalbari-Hariabari and Gogalmari as assured by the then Agricultural Minister Shri L. P. Goswami ?

(d) Whether it is also a fact that the District Agricultural Officer, Nowgong has been directed to make plan and estimate for construction of these two bundhs ?

Shri Ataur Rahman (Minister, Agriculture) replied :

46. (a)—Yes.

(b)—The Local Officers have been asked to prepare estimates for the same in consultation with the Anchalik Panchayat concerned.

(c)—Official Records do not disclose any assurance having been given by the then Minister of Agriculture Shri L. P. Goswami. However, Government will consider taking up of these Bundhs provided Schemes to be prepared in consultation with the Anchalik Panchayat concerned are found feasible and amounts required come under purview of the Agriculture Department.

(d)—Yes.

Re: Procurement of Guernsey Cattle from Australia

Shri Maneswer Boro asked:

*47. Will the Minister-in-charge of Veterinary be pleased to state—

(a) Whether it is fact that the Government has procured Guernsey Cattle from Australia?

(b) If so, the total number of Guernsey Cattle procured by the Government?

(c) The value of the Guernsey Cattle per head?

(d) The amount spent for procurement of the Guernsey Cattle?

(e) The utility of such Cattle?

(f) Where these Cattle have been kept?

Shri Ataur Rahman (Minister, Livestock) replied:

47. (a)—Yes.

(b)—22 (twenty two Nos.)

(c)—These animals were supplied free of cost but transport cost was borne by the Government.

(d)—Rs. 1,03,000.00 as transport cost only.

(e)—These animals have been procured for breeding purpose.

(f)—Government Livestock Farm at Khanikar, Dibrugarh.

Shri Mohidhar Pegu—অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে এই Australia ৰ পৰা অনা ষাঁড় আৰু চেঁউৰি অনা বাবে আমাৰ ইয়াত জলবায়ুৰ লগত মিলিব নোৱাৰি বেমাৰ-আজাৰত পৰে, তাৰ সলনি আমাৰ থলুৱা সুস্থ ষাঁড় লোৱা হলে ভাল নহ'লহেতেন নে?

Shri Ataur Rahman—মাননীয় সদস্যই কোৱা বিধৰ Cattle চাহ বাগানৰ চাহাব সকলৰ আছিল আৰু তাৰে বংশধৰ ৪/৫টা লোৱা হৈছে।

Shri Kamini Mohan Sarma—অধ্যক্ষ মহোদয়, এই একলাখ তিনি হাজাৰ টকা খৰচ কৰি যি ষাঁড় অনা হৈছে তাৰ লগত আমাৰ সৰু সৰু চেঁউৰি বিলাকৰ সম্বন্ধ উপযুক্ত নহয় সেয়ে ৰহুত চেঁউৰি মৰি যোৱা কথাটো সত্যনে?

Shri Ataur Rahman—এতিয়ালৈকে ৬টা ষাঁড় আৰু ৭জনী চেঁউৰি অনা হৈছে আৰু ৭জনী চেঁউৰিয়েই ৭টা পোৱালী দিছে। কিন্তু মৰা খবৰ আমি পোৱা নাই।

Shri Kamini Mohan Sarma—এই ৭জনী চেউৰীয়ে ৭টা পোৱালী দিছে। মই মন্ত্রী মহোদয়ৰ পৰা জানিব খুজিছো যে প্রতিজনীয়ে দৈনিক কিমানকৈ গাখীৰ দিয়ে?

Shri Ataur Rahman—দৈনিক কিমানকৈ গাখীৰ দিছে সেইটো মোৰ হাতত নাই। কিন্তু এই ধৰণৰ গাইয়ে ৩৫ লিটাৰ মানকৈ গাখীৰ দিয়ে।

Shri Bhubaneswar Barman—বাহিৰৰ পৰা উন্নত ধৰণৰ ষাঁড় আনি আমাৰ গো-ৰংশ উন্নত কৰাৰ কাৰণে চৰকাৰে আঁচনিলৈ উন্নত ধৰণৰ ষাঁড় বিলাক Block বিলাকত দিছিল কিন্তু আমি জনাত সেই আটাই বিলাক ষাঁড়েই মৰিল। চৰকাৰে সেই মৰা ষাঁড়ৰ স খ্যাটো জনাবনে?

Shri Ataur Rahman—এইটো প্ৰশ্ন ইয়াৰ লগত নুঠে। তথাপি মই এই কথা জনাব খুজিছো যে Block বিলাকত ষাঁড় গৰু দিয়াৰ পৰিবৰ্ত্তে কৃত্রিম প্রজননৰ প্রচেষ্টা কৰা হৈছে।

Shri Bhubaneswar Barman—বাহিৰৰ পৰা অনা ষাঁড় বা গাইবিলাক জলবায়ুৰ কাৰণে আমাৰ ইয়াত নিটি কলে। তাৰ পাচত কৃত্রিম প্রজননৰ আঁচনি লৈছে বুলি মন্ত্রী মহোদয়ে কৈছে কিন্তু মোৰ প্ৰশ্ন হৈছে চৰকাৰে বহুত টকা খৰছ কৰি অনা ষাঁড় বিলাকৰ কিমান মৰিল?

Shri Ataur Rahman—এই প্ৰশ্ন ইয়াত নাহে।

Shri Hiralal Patwary—অসমৰ গাইগৰুৱে বছৰেকত গাইয়ে ১৩৫ পাউণ্ড, ভাৰতবৰ্ষৰ ৩৫০ পাউণ্ড আৰু অষ্ট্রেলিয়াৰ গাইয়ে বছৰেকত ৬ হাজাৰ পাউণ্ড গাখীৰ দিয়ে। গতিকে মই মন্ত্রী মহোদয়ৰ পৰা জানিব খুজিছো যে অষ্ট্রেলিয়াৰ পৰা ষাঁড় আনিবলৈ কোনে পৰামৰ্শ দিছিল?

Shri Ataur Rahman—কেন্দ্ৰীয় চৰকাৰে সেই পৰামৰ্শ দিছিল।

Shri Hiralal Patwary—কেন্দ্ৰীয় চৰকাৰে এনেকুৱা পৰামৰ্শ দিয়াৰ আগতে অসম চৰকাৰৰ লগতে আলোচনা কৰিছিলনে নাই?

(সমিধান নহ'ল)

M. Shamsul Huda—মন্ত্ৰী মহোদয়ে কৈছে যে অষ্ট্ৰেলিয়াৰ পৰা অনা ষাঁড় আৰু গাইৰ পৰা ৭জনী চেঁউৰী পোৱালী হৈছে। এই পোৱালী হ'ল অষ্ট্ৰেলিয়ান বংশৰ। মোৰ প্ৰশ্ন হৈছে অষ্ট্ৰেলিয়ান ষাঁড় আৰু আমাৰ গাইৰ সঙ্গমত কিমান পোৱালী হৈছে?

Shri Ataur Rahman—ইয়াৰ কাৰণে সময়ৰ প্ৰয়োজন হব।

Shri Jalaluddin Ahmed—অষ্ট্ৰেলিয়াৰ পৰা যি ১৫জনী চেঁউৰী আনিছে এই বিলাক অনাৰ কিমান দিন হ'ল, ক'ত ক'ত আছে আৰু কাক কাক দিছে?

Shri Ataur Rahman—ডিব্ৰুগড়ৰ খনিকৰ ফাৰ্মত আছে আৰু এই বিলাক অনাৰ বেচি দিন হোৱা নাই।

Shri Maneswar Boro—এই ষাঁড় অনাত যি ১ লাখ ৩ হাজাৰ টকা খৰচ হ'ল—এই টকা কেন্দ্ৰীয় চৰকাৰে দিছেনে ৰাজ্য চৰকাৰে দিছে?

Shri Ataur Rahman—ৰাজ্য চৰকাৰে দিছে।

Shri Hiralal Patwary—ৰাজ্যিক চৰকাৰে যেতিয়া ইমান টকা খৰচ কৰি এই ষাঁড় বিলাক আনিব লগীয়া হ'ল সেই প্ৰসঙ্গত ৰাজ্য চৰকাৰে কোন বিভাগৰ লগত আলোচনা কৰিছিল?

Shri Ataur Rahman—মই কৈছো যে ৰাজ্য চৰকাৰৰ লগত কেন্দ্ৰীয় চৰকাৰে আলোচনা কৰিছিল।

Shri Hiralal Patwary—অষ্ট্ৰেলিয়াৰ পৰা অনা ষাঁড় বিলাক আমাৰ ইয়াৰ কাৰণে উপযুক্ত বুলি কেনেকৈ জানিলে?

Shri Ataur Rahman—আগেয়ে ডিব্ৰুগড় অঞ্চলত তেনে ধৰণৰ ষাঁড় আছিল। গতিকেই সেই ষাঁড় বিলাক ইয়াৰ জলবায়ুৰ কাৰণে Suit হব বুলিয়েই অনা হৈছিল।

শিক্ষা অনুষ্ঠানৰ দান-অনুদান

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

*৪৮। মাননীয় ভগনীয়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) ভগনীয়া বিভাগৰ পৰা শিক্ষা অনুষ্ঠানেত দান-অনুদান দিয়াৰ ব্যৱস্থা আছে নেকি ?

(খ) যদি আছে তেনে ধৰণৰ অনুদান কিমানটা শিক্ষা অনুষ্ঠানে দিছে ?

(গ) কেন্দ্ৰীয় চৰকাৰৰ পৰা তেনে কোনো অনুদান আছে নেকি ?

ভগনীয়া বিভাগৰ মন্ত্ৰী শ্ৰীআব্দুল মৎলিব মজুমদাৰে উত্তৰ দিছে :

৪৮। (ক)—বৰ্ত্তমানে নাই।

(খ)—১৯৬০-৬১ চনলৈ শিক্ষা অনুষ্ঠানবিলাকলৈ দিয়া অনুদানৰ তালিকা এখন সদনৰ মেজত থোৱা হৈছে।

(গ)—ওপৰত উল্লেখ কৰা অনুদানবিলাক কেন্দ্ৰীয় চৰকাৰৰ পৰাই পোৱা। বৰ্ত্তমানে এনে অনুদান দিয়া বন্ধ কৰিছে।

Shri Bhadreswar Gogoi—যি খিনি টকা পোৱা হ'ল তাৰ কিমান টকা দিয়া হ'ল আৰু কাক কাক দিয়া হ'ল ?

Shri Abdul Matlib Mazumdar—The list has been placed on the Library table.

Shri Sailen Medhi—চৰকাৰে শিক্ষানুষ্ঠান বিলাকক অনুদান দিয়াৰ সম্পৰ্কত কৈছিল যে কেন্দ্ৰীয় চৰকাৰে এখন circular ৰ জৰিয়তে অসম চৰকাৰক জনাইছিল আৰু অসম চৰকাৰেও ভগনীয়া ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা অনুষ্ঠান বিলাকক জনাইছিল যে তেওঁলোকৰ অনুষ্ঠান বোৰে ১৯৬৪ চনৰ পিচত অহা ভগনীয়া ছাত্ৰ সকলৰ List দিব লাগে। আৰু সেই সকল ছাত্ৰৰ মাচুল চৰকাৰে বহন কৰিব। কিন্তু ১৯৬৪ চনৰ পিচত অহা ভগনীয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে এই টকা অনুষ্ঠান বোৰক আজিও নিদিয়াৰ কাৰণে সেই টকা এতিয়াও শিক্ষা অনুষ্ঠান বিলাকে বহন কৰিবলগীয়া হৈছে। লাহে লাহে টকা দিব নোৱাৰাৰ ফলত সেই স্কুল বিলাক নোহোৱা হোৱাৰ উপক্ৰম হৈছে।

Shri Abdul Matlib Majumdar—যিমান টকা কেন্দ্ৰীয় চৰকাৰে দিছিল সেই টকা দিয়া হ'ল। এতিয়া কেন্দ্ৰীয় চৰকাৰে জনাইছে—

Sir, the matter has been carefully considered and the conclusion reached is that assistance to the educational institutions should appropriately be made from the State Plan Resources. The Department of Rehabilitation are, therefore, not in a position to sanction any grant to the educational institutions in Assam.

Shri Bhubaneswar Barman—অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে ভগনীয়া যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে স্কুলত পঢ়ে তেওঁলোকৰ বিষয়ে ৰাজ্যিক চৰকাৰে বিবেচনা কৰিব। মন্ত্ৰী মহোদয়ে এইটো জনাবনে যে যি বিলাক ভগনীয়া ছাত্ৰই অন্য স্কুলত পঢ়ে; মই জনাত গোৱালপাৰাৰ বাপুজী হিন্দী বিদ্যালয় বুলি এখন স্কুলত পঢ়া ছাত্ৰ-ছাত্ৰীসকলে মাত্ৰ কেইপাত মান টিংপাত বিচাৰিছিল। ভগনীয়া বিভাগৰ ফালৰ পৰা অনুমোদন জনোৱা স্বত্বেও কিন্তু মন্ত্ৰী মহোদয়ৰ পৰা অনুমোদন নোপোৱাৰ কাৰণে টিংপাত নেপালে। এইটো বিবেচনা কৰিবনে?

Shri Abdul Matlib Majumdar—The matter will be examined.

Shri Sailen Medhi—অধ্যক্ষ মহোদয়, এই সংক্ৰান্তত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে আমাৰ আমিনগাওঁ আৰু পাণ্ডুত ভগনীয়া ছাত্ৰৰে গঠিত স্কুল বিলাকত অসম চৰকাৰে এখন চাৰ্কুলাৰ দিছিল যে ১৯৬৪ চনৰ পিছত অহা ছাত্ৰ-ছাত্ৰীকহে Admission দিয়ক আৰু টকাৰ হিচাব দিয়ক আৰু এই টকা Reimbersed কৰা হব। কিন্তু এই টকা Reimbersed কৰা হোৱা নাই আৰু এই ছাত্ৰ-ছাত্ৰীবোৰক বিনা মাচুলে শিক্ষা দিয়াৰ কাৰণে কিমান লোকচান ভূগিব লগা হ'ল তাৰ অনুসন্ধান কৰিবনে?

Shri Abdul Matlib Majumdar—এইটো চাব পৰা হব।

Shri Sarat Chandra Rabha—অধ্যক্ষ মহোদয় (খ) ৰ প্ৰশ্নোত্তৰত যিটো কৈছে— যোৱা বাজেট অধিবেশনতো শুধনৈত ভগনীয়া ছাত্ৰ-ছাত্ৰী সকলৰ

শিক্ষানুষ্ঠান প্রতিষ্ঠাৰ কাৰণে ৪৮ হাজাৰ টকা খৰচ হোৱা বুলি দেখুৱাইছে। কিন্তু তুধনৈত তেনেকুৱা কোনো শিক্ষানুষ্ঠান নাছিল। তুধনৈ বিদ্যালয়ত ভগনীয়া ছাত্র-ছাত্রীয়ে বাতিপুৱাই আহি স্কুল কৰিছিলহি। তৎস্বত্বেও ভগনীয়া ছাত্র ছাত্রীৰ কাৰণে কেনেকৈ ৪৮ হেজাৰ টকা খৰচ হোৱা বুলি দেখুৱাইছে। ভগনীয়াই ভিক্ষা কৰি কৰি তাৰ টকাৰে সাধাৰণ খেৰী ঘৰ সাজি লোৱাৰ পিছতহে মিনিষ্টাৰে দেখিছিল। সেয়ে ৪৮ হাজাৰ খৰচ হোৱা বুলি প্রশ্ন দিয়াৰ পিছতহে তাত ঘৰ বান্ধিছিল। সেয়া বিভাগৰ টকা নহয়। ভিক্ষা কৰি গোটোৱা টকাৰে সাজিছিল। এই সম্পর্কে তদন্ত কৰিবনে?

Shri Abdul Matlib Majumdar—তদন্ত কৰিব।

Shri Hiralal Patwary—কেন্দ্রীয় চৰকাৰৰ সাহার্য্যত গঠিত হোৱা স্কুল বিলাকৰ Circular কোনে ঠিক কৰে?

( No reply )

Shri Jalaluddin Ahmed—অধ্যক্ষ মহোদয়, এই ৪৮ হেজাৰ টকাৰ হে অনুসন্ধান কৰিম বুলি কৈছে এইটো ১৯৭২ চনৰ পিছত কৰিবনে নাই আগতে কৰিব। আৰু যদি আগতেই দিয়ে তেন্তে এই বিধান সভা চলি থকা অৱস্থাতে দিবনে?

Shri Abdul Matlib Majumdar—যিমান সোনকালে পৰা যায় কৰা হব।

Shri Jalaluddin Ahmed—যিহেতু টকা পইচাৰ কথা গতিকে সোনকালেই কৰক।

Shri Dulal Chandra Barua—অধ্যক্ষ মহোদয়, অনুসন্ধান যিহেতু কৰিম বুলি কৈছে—আৰু ইয়াক অনুসন্ধান কৰোতেও ২/৩ বছৰ সময় নেলাগে। বর্ত্তমান আমাৰ চলি থকা অধিবেশনো দীঘলীয়া। গতিকে মন্ত্রী মহোদয়ক মই অনুৰোধ কৰিব পাৰো যে এই বিধান সভা চলি থকা অৱস্থাতে ইয়াৰ সবিশেষ অনুসন্ধান কৰি আমাক জনাব?

Shri Abdul Matlib Majumdar—Will be enquired as early as possible.

## UNSTARRED

## QUESTION AND ANSWER

( To which reply was laid on the table )

Date : 23rd March 1971

Re : গাওঁ পঞ্চায়তৰ অফিচ ঘৰ সাজিবৰ বাবে টকাৰ মঞ্জুৰী

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে :

২। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ পঞ্চায়ত বিলাকত অফিচ ঘৰ সাজিবৰ বাবে চৰকাৰে কিমান টকাকৈ প্ৰতিটো অফিচ ঘৰৰ বাবে দিছে ?

(খ) আটাইবোৰ অফিচ ঘৰ এতিয়া সম্পূৰ্ণ হ'লনে ?

শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকা ( পঞ্চায়ত ও সমূহীয়া উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰীয়ে ) উত্তৰ দিছে :

২। (ক)—গাওঁ পঞ্চায়তৰ অফিচ ঘৰ সাজিবৰ বাবে চৰকাৰে প্ৰতিটো ঘৰৰ বাবদ ১,৫০০.০০ ( এহেজাৰ পাচশ ) টকাকৈ দিছে।

(খ)—হোৱা নাই।

Shri Bhadreswar Gogoi—অধ্যক্ষ ডাঙৰীয়া, কিছুমান গাওঁ পঞ্চায়তৰ অফিচৰ কাৰণে ১৫০০/- কৈ টকা দিয়াৰ কথা আছিল। এতিয়াও যে, বহুত গাওঁ পঞ্চায়তে এই টকা পোৱা নাই এইটো সচাঁনে ?

Shri Devendra Nath Hazarika—মই (খ) ৰ উত্তৰত কৈছো যে, সম্পূৰ্ণ হোৱা নাই। আৰু ১১৬ খনক দিবলৈ বাকী আছে।

Shri Bhadreswar Gogoi—এতিয়া কি কাৰণত সেইবিলাক গাওঁ পঞ্চায়তক টকা দিয়া নাই ?

Shri Devendra Nath Hazarika—আমি এই বছৰৰ বাজেটৰ পৰা ১৬১ খনৰ কাম কৰিম। বাকী বিলাকো কৰিবলৈ আমি চেষ্টা কৰিম।

Shri Bhadreswar Gogoi—এই ১৬১ খন গাওঁ পঞ্চায়তৰ নাম কি কি ?

Shri Devendra Nath Hazarika—নাম বিলাক বৰ্ত্তমান মোৰ হাতত নাই।

Shri Nakul Chandra Das—আজি বহুবছৰ আগতে ১৫০০/- টকাকৈ পঞ্চায়তৰ ঘৰ সাজিবলৈ দিছিল। কিন্তু এই টকাত বৰ্ত্তমান অফিচ ঘৰবোৰ হৈ নুঠে। সেই কাৰণে এই টকাটো বঢ়াই দিয়াৰ ব্যৱস্থা কৰিবনে?

Shri Devendra Nath Hazarika—এই ১৫০০/- টকা দিয়া হৈছিল শতকৰা ৫০ ভাগ সাহায্য হিচাবে আৰু বাকী ৫০ ভাগ পঞ্চায়তে নিজে বহন কৰিব লাগে। আৰু এই তিনি হাজাৰৰ ভিতৰত কৰিব লাগে। বিভিন্ন পঞ্চায়তে এই আপত্তি কৰা স্বত্বেও আমাৰ বিত্তীয় অৱস্থা ভাল নোহোৱাৰ কাৰণে সেইটো কৰিব পৰা নাই।

Shri A. N. Akram Hussain—চাৰ, এই ১৫০০/- টকা কিমান বা কোন কোন গাওঁ পঞ্চায়তক দিছে?

Shri Devendra Nath Hazarika—২৬০২ খন গাওঁ পঞ্চায়তৰ ভিতৰত ২১৬ খনক এই টকা দিয়া হৈছে। বাকী খিনিক দিবলৈ চেষ্টা চলাই থকা হৈছে।

Shri Upendra Nath Sanatan—অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে, আজি যিবিলাক ঘৰ পঞ্চায়ত বিলাকে সাজিছে সেইবিলাক তিনিবছৰ নৌহওঁতেই ভাগি যায়। সেই কাৰণে এইবিলাক Plan and Programme কৰি সজাৰ ব্যৱস্থা কৰিবনে?

Shri Devendra Nath Hazarika—মাননীয় সদস্যই বোধকৰো Block Head Quarter ৰ কথা কৈছে। ১৯৫১ চনতে ১ লাখ টকাকৈ এই Head Quarters বিলাক সাজিবৰ কাৰণে দিছিল। আৰু সেই পৰিমাণটো এতিয়াও একেই আছে। সেই কাৰণে বহু ঠাইত Specification Inferior হোৱাৰ কাৰণে এনেকুৱা হব পাৰে। কিন্তু এইটো কথা হৈছে গাওঁ পঞ্চায়তৰ। বোধকৰো সদস্য ডাঙৰীয়াই এইটো আঞ্চলিক পঞ্চায়তৰ কথা কৈছে।

Shri Bhadreswar Gogoi—এই Grant নোপোৱা পঞ্চায়ত কেইখনৰ নাম জানেনে?

Shri Devendra Nath Hazarika—গোটেইখিনি নাম মোৰ হাতত নাই। কিন্তু মাননীয় সদস্যৰ এলেকাৰ নাম কেইটা মোৰ হাতত আছে। তাৰ ভিতৰত জয়পুৰ, কুঁৰবীগাওঁ আৰু ঔ-গুৰি পঞ্চায়তে পোৱা নাই।

Report of the Business Advisory Committee

Mr. Speaker—Under Rule 230 of the Rules of Procedure & Conduct Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee yesterday ( 22.3.71 ) and it was decided as follows:

i) On 26th March, 1971 the House will sit till 12 noon and the Resolutions listed on 22nd March 1971 which remained pending and the two Bills already introduced will be taken up and finished.

ii) On 27th March 1971 there will be no sitting of the House. Instead the House will stand extended till 24th May 1971 which will be reserved for completion of unfinished Government business.

iii) The business listed for 26th and 27th March 1971 will be adjusted accordingly.

I hope this has the approval of the House ?

( Voice—Yes )

Shri Dulal Chandra Barua—Sir, this morning myself and the Chief Minister have come to know that 29th of March is likely to be a local holiday on account of Tirot Sing Day. I would like to know whether we are going to observe this as a local holiday because he was also a patriot. If so done then we perhaps will have to extend the House by one more day !

Shri Mahendra Mohan Choudhury ( Chief Minister )—Sir, to-day the Meghalaya Chief Minister rang me up in the morning and wanted to know from me whether Tirot Sing Day will be observed as a holiday on the

29th of March. I have been given to understand that the Meghalaya Government will be closed that day. We have not decided yet as to whether we shall also declare 29th March as holiday, more particularly, in Shillong. I can tell you about that matter in the afternoon when you can decide.

Re : Privilege Motion—Broadcast of Policy announcement by All India Radio

Mr. Speaker—About the Privilege Motion, I am enquiring into the matter and shall get a report from the All India Radio. Unless the documents are with me.... ( interruption by the Shri Dulal Chandra Barua )

Shri Dulal Chandra Barua—Sir, yesterday I was not allowed to place my argument. Now, I may be allowed to put my case, I have come formally. That first thing is that Sir, I am to be allowed to put my case. After that you may call for documents.... ( interruption by Mr. Speaker )

Mr. Speaker—I have already called for the documents and I am examining.... ( interruption by Shri Dulal Chandra Barua )

Shri Dulal Chandra Barua—Sir, we cannot create new conventions here now.

Mr. Speaker—I am calling for the documents and these will be examined.

Shri Dulal Chandra Barua—Do you want to say that we come to represent some wrong things to the House ?

Mr. Speaker—Unless the whole question is put before the House the question of giving judgement or ruling does not come.

Shri Dulal Chandra Barua—Sir, the whole question of documents do not come. You have to allow me to forward my case in favour of my motion. After that, at the time of giving Ruling you can call for documents.

Mr. Speaker—Rule 159 is very clear.

Shri Dulal Chandra Barua—Sir, you can do whatever you like, but the convention that we have been following is that according to rules and regulations we are to make a complaint. I am giving notice under the rules. If I am not given an opportunity to speak than rules should be abolished and we are going to be crippled.

Mr. Speaker—Under Rule 158, it was suggested yesterday copies of the speech announced in the All India Radio should be brought. Before that we are not going to decide anything.

Shri Dulal Chandra Barua—That means we are crippled. Sir, yesterday it was decided that I am to bring document and give notice in writing to the Secretary. As I did not make the complaint by giving notice in writing, you said that it was out of order and it could not be discussed in the House. But today, I have served notice and give the notice in writing to the Secretary. If I am not allowed to bring the complaint of breach of privilege, then my right will be curtailed.

Mr. Speaker—I have given you the opportunity to speak yesterday. If the speech of the All India Radio is not placed before the House, there cannot be any discussion. I have asked the All India Radio authority to supply the speech. As soon as I receive it, I will allow to speak.

Shri Dulal Chandra Barua—Sir, if you are not going to believe me, then there will be two things— (1) either I should be made first-class liar or (2) the announcements made by All India Radio from time to time are wrong. Sir, immediately, I got the news I as a representative of the people as well as the member of this House, brought a complaint of a breach of privilege as rules and regulations of the House. You have just said you were waiting for report. Suppose you are not going to get the report for months together, should the honourable member be debarred from delivering a speech in the House for a genuine cause ? I am sorry, Sir, you are going to create some precedence. I may be allowed to put my things before the House first. Later on it is upto you to verify the facts by calling documents and rule out my complaint if my statement is found not correct.

Shri Biswadev Sarma ( Minister, Industries )—Sir, if I am right, hon. Member Shri Debeswar Sarmah has suggested yesterday that whatever announcement Shri Barua has heard from the All India Radio, he should supply a copy of that announcement. Unless we get the

same thing, we cannot discuss the matter in the House.

Mr. Speaker—As suggested by hon. Member Shri Sarmah yesterday, I should call for a copy of the speech alleged to be made by the Chief Minister. Accordingly, I have taken action and I have directed the authority of the All India Radio to submit their report to-day at 12-30 P. M. As soon as it comes, I will place before the House.

Shri Sailen Medhi—Sir, I want to clarify the matter. Sir, here the question involved is whether a complaint has been raised in the House. Shri Barua did raise a complaint in the House yesterday. Secondly, whether his complaint could be discussed in the House or not ? Shri Barua did not give a formal notice of his complaint, even then he was allowed yesterday to discuss before the House. Sir, so far as ruling is concerned, it lies on the discretion of the Chairman. As suggested by the hon'ble member Shri Sarma yesterday that the speech alleged to be made by the Chief Minister should be brought from the All India Radio before the discussion in the House. Sir, when it was once allowed, your honour should first ask Shri Barua whether he has got anything to speak further on the point. So far as discussion of the matter is concerned, you are competant enough to call for a report from the All India Radio. So far as putting the complaint before the House is concerned, Shri

Barua should be allowed to discuss the matter further.

Mr. Speaker—I have already stated that under Rule 159, if a complaint is made and if the complaint is founded upon a document, the original thereof shall accompany the notice. Here, in this particular case, the document is not placed before the House. Therefore, I am asking the All India Radio to submit it before 12-30 P. M. today. So, I will inform the House about it tomorrow.

Shri Giasuddin Ahmed—Mr. Speaker, Sir, I think Rules are quite clear—It says—"A breach of privilege, either of a member or of the House or of a Committee thereof, may, with the consent of the Speaker be brought to the notice of the House." Sir, the hon. Speaker has got certain discretionary power. He may give consent or not to a complaint brought by an hon. Member, but that discretion should be exercised judiciously. He has submitted his complaint of a breach of privilege to the hon. Speaker. Now the hon. Member should be allowed to put the complaint before the House. After putting away the complaint, that is in order or not—that may be decided. After that, you may refer to All India Radio or some other department to submit report or documents which might be made available later on. After hearing the complaint from the hon. Member, then and then only you can give your ruling. But first thing, the Member should be allowed to make his complaint.

Shri Mahendra Mohan Choudhury ( Chief Minister )—Sir, in making his complaint, he has said that—"All India Radio, Gauhati has published a news bulletin on 22.3.71 regarding protective measures on flood control at the instance of the Chief Minister without informing anything to House which is in session. Hence the complaint." Sir, this is not a new matter broadcast by the All India Radio when the House is in session. Flood control measures are as old as anything and is known to all. But about disclosing something about protective measures, I have not heard the Radio and evn if it is true, it does not come under the purview of the Privilege Motion. If the entire document is placed before you and If you are in the know of the the full text of the All India Radio script then only you can decide, Sir, whether that is a case of Breach of Privilege. If there is no case of Breach of Privilege then it will go against the complainant himself. Therefore, to give an opportunity to put up the matter till the script comes that position, I think the hon. Member may not be disputing.

Shri Dulal Chandra Barua—I am not happy with the arguments put forward by the Chief Minister. I am not a God to find out whatever you want. I have formally placed notice before you. About the document to be made available I have already expressed my inability to produce the decument. Because as a member of the opposition I cannot have it. Even then I tried

yesterday but I could not procure it. How you have allowed me to move the motion yesterday?

Mr. Speaker—I have not allowed you to move it.

Shri Dulal Chandra Barua—You have given me direction to come in a formal way. Now, about the legalities and other things it is upto Chair to examine under what rule I should be deprived of making the complaint formally before the House. You did not allow me yesterday. But today I have formally lodged a petition before the House and therefore I want to know under what rule an hon. member can be deprived of putting forward his complaint. I may be a layman and could not find out any rules or regulations under which you are depriving me of my rights.

Mr. Speaker—The relevant Rule is 158 of the Rules of Procedure. I am enquiring about it.

Shri Dulal Chandra Barua—It is not a question of enquiry or examination.

Shri Lakhyadhar Choudhury—Rule 160 of the rules of Procedure says that "The right to raise a question of Privilege shall be Governed by the following conditions—

(1) Not more than one question shall be raised at the same time.

(2) The question shall be restricted to a specific matter of recent occurrance.

(3) The matter requires the intervention of the House."

Therefore, under this rule it will be proper to give Mr. Barua to raise a complaint.

Mr. Speaker—Before I give my consent I should examine it.

Shri Dulal Chandra Barua—You have given me direction to come up formally.

Mr. Speaker—"If the Speaker gives his consent under rule 158, the member making the complaint shall, after questions and before the list of business is entered upon, read his complaint and may make a short statement relevant thereto."........If I give my consent, but I have not given any consent to move it. I am examining the whole thing.

Shri Bhubaneswar Barman—অধ্যক্ষ মহোদয় ১৫৮ ধাৰাত স্পষ্ট ভাবে উল্লেখ আছে যে কোনো সদস্যৰ বা সদনৰ বা তাৰ কোনো সমিতিৰ বিশেষাধিকাৰ ভঙ্গ, অধ্যক্ষৰ সন্মতি সহ সদনৰ দৃষ্টি গোচৰলৈ আনিব পাৰিব।

(i) কোনো সদস্যই তোলা গোচৰৰ দ্বাৰা।

(ii) আবেদনৰ দ্বাৰা।

(iii) কোনো সমিতিৰ প্ৰতিবেদনৰ দ্বাৰা।

এতিয়া মাননীয় সদস্য শ্ৰীদুলাল বৰুৱাই অভিযোগটো কালিয়েই উত্থাপন কৰিছিল কিন্তু ইয়াত লিখিত ভাবে দিব লাগে বুলি কোনো উল্লেখ নাই। আকৌ ১৫৯ ধাৰাত লিখিছে যে বিশেষাধিকাৰৰ ভঙ্গৰ গোচৰ তৰিবলৈ ইচ্ছা কৰা কোনো সদস্যই ইয়াক তুলিবলৈ প্ৰস্তাবিত দিনৰ বৈঠকৰ আৰম্ভণিৰ পূৰ্ব্বে সচিবক লিখিত ভাবে জাননী দিব। যদি গোচৰতো কোনো দাখিলৰ ওপৰত প্ৰতিষ্ঠিত জাননীৰ সৈতে তাৰ মূল প্ৰতিলিপি দিব লাগিব।

এতিয়া আপুনি কালি আশ্বাস দিছিল যে ১৫৯ ধাৰামতে বৰুৱা ডাঙৰীয়াই অনুমতি লোৱা নাছিল কিন্তু আজি লিখিত ভাৱে আপোনাৰ ওচৰত গোচৰ তৰিছে বিশেষাধিকাৰ ভঙ্গৰ কাৰণে। আপোনাৰ Ruling

কি হয় পিচত হব কিন্তু এতিয়া ১৫৮ আৰু ১৬৯ ধাৰা মতে বিষয়টো উত্থাপন কৰিবলৈ দিব লাগে।

Mr. Speaker—If the Speaker gives his consent under Rule 158 the member making the complaint shall, after questions and before the list of business is entered upon, read his complaint and may make a short statement relevant thereto. I have not yet given him the consent to move the motion. I have written to All India Radio to submit the script at 12·30 and there after I will allow him to speak tomorrow.

Shri Dulal Chandra Barua—We have failed to understand the reason. I think we are acting in a manner which goes against the democratic way. Our. rules have given certain privileges to the members and if things are allowed to go in this way then we do not know where do we stand. I do not know what crime I have committeed for which I should be deprived of my legitimate claim.

Mr. Speaker—You will get the scope tomorrow.

Shri Dulal Chandra Barua—Tomorrow somebody else may come to advise........

Mr. Speaker—No, Mr. Barua I have given you my consent to apply and I have not given you my consent under the rules.

Shri Dulal Chandra Barua—You go through the proceedings and you will find that you have directed me to come in a formal way which means that you have given your consent, and accordingly I have placed

the matter before you. If that is not your consent, I am at a lose to understand what is meant by consent. What is the defination of consent? You have directed me to come in a formal way and accordingly I have done so. You cannot compel me to produce the document under the rules. Yesterday I was going to explain the gist of the announcement but I was not allowed to do so. To-day the Minister concerned will give his reply and before that if we are not allowed to discuss this matter, it will be of no use and you will deprive us of our legitimate right. You are not giving us due protection and as such we feel helpless. Unless a member is allowed to explain the matter how will you judge whether it is a case of privilege or not? Even if you give me a chance to explain, I may fail to convince the House that it is case of breach of privilege.

Mr. Speaker—I have not yet given my consent. The matter may come up tomorrow.

Shri Dulal Chandra Barua—As you have said, you have asked for the document from the All India Radio and it will come by 12.30 to-day. If the document does not come by that time, will you allow us to move the motion at 2 P. M.? If you agree to that, we have no objection.

Mr. Speaker—I have already asked for the document as suggested by Shri Sarma and others so that the whole

matter may be before us. I have asked the All India Radio to submit the document by 12.30 but if the document does not come by that time, the matter may not be dragged on. It will be taken up in due course.

Shri Hiralal Patwary—I have also lodged a complaint before you against the hon. Finance Minister for disclosing the Budget figure which is confidential.

Mr. Speaker—I have already asked for the document from the All India Radio, but if it does not come by that time. the matter will be taken up at 2 P.M:

Now, next item.

Calling Attention To a Matter of Urgent Public Importance : Missing of a patient from the Gauhati Medical College:

Dr. Surendra Nath Das—Sir, under rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to call the attention of the Minister, Health to the news item appearing in Dainik Asom, dated the 8th March, 1971 under the Caption "আৰু এগৰাকী ৰোগীৰ সন্ধান নাই।"

Dr. Surendra Nath Das—অধ্যক্ষ মহোদয়, এই দৈনিক অসম কাকতত প্ৰকাশিত খবৰটো মই পঢ়ি দিছো।

"গুৱাহাটী মেডিকেল কলেজ হাস্পতালত ১৩ দিন চিকিৎসাধীন হৈ থকাৰ পিচত হাস্পতাল কৰ্তৃপক্ষই মহিলা ৰোগী এগৰাকীক অভিভাৱকৰ অজ্ঞাতে হাস্পতালৰ পৰা বাহিৰ কৰি দিয়াত মহিলা গৰাকী নিৰুদিষ্ট হৈছে আৰু আজি ১১ দিনে তেওঁৰ কোনো সন্ধান পোৱা হোৱা নাই। ঘটনাৰ বিৱৰণ মতে গুৱালকুছিৰ ওচৰৰ বামুন্দী নিবাসী শ্ৰীনিশিকান্ত ভূঞাৰ পত্নী শ্ৰীমতী সুশীলা বালা ভূঞাক যোৱা ১২

ফেব্রুৱাৰীৰ নিশা গুৱাহাটী মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন কৰা হয়। অভিযোগ উঠা মতে শ্ৰীমতী ভূঞা আৰোগ্য নোহোৱাকৈ আৰু তেওঁৰ অভিভাৱকক আগতীয়াকৈ একো নজনাকৈ ২৪ ফেব্ৰুৱাৰীৰ আবেলি 'আৰোগ্য হোৱা' বুলি কৈ হাস্পতালৰ পৰা কৰ্তৃপক্ষই বাহিৰ কৰি দিয়ে। পিচদিনা ২৫ ফেব্ৰুৱাৰী তাৰিখে গাঁৱৰ পৰা অভিভাৱক হাস্পতাললৈ ৰোগীৰ খবৰ লবলৈ আহি ৰোগীক নাপাই বিমোৰত পৰে। আৰু হাস্পতাল কৰ্তৃপক্ষক সোধাত ৰোগীক যাবলৈ দিয়া হৈছে বুলি জানিবলৈ দিয়ে। সেই দিনৰে পৰা শ্ৰীমতী ভূঞাৰ সন্ধান কৰা হৈছে যদিও আজিলৈকে তেওঁৰ কোনো খবৰ পোৱা নাই।"

অধ্যক্ষ মহোদয়, গতিকে মই এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছো। কাৰণ এনে ঘটনা বহুতো ঘটি আছে। এনে ধৰণৰ মনুষ্যত্ব বিৰোধী ঘটনা প্ৰায়ে হৈ থাকে। গুৱাহাটী Medical College ত ৰোগীয়ে যিমান সোনকালে পাৰে সিমান সোনকালে বিচনা খালি কৰি দিবলৈ বাধ্য হয়। সেইকাৰণে মই অনুৰোধ কৰো যে গুৱাহাটী Medical College ত Surgery Case ৰ বেমাৰীৰ সংখ্যা বেচি হয় বাবেই বিচনাৰ দৰ্কাৰ হয়। আমাৰ যিবিলাক Sub-Divisional Head Quarter ত Civil Hospital আছে সেইবিলাকত যদি Expert Surgical বিভাগৰ ডাক্তৰ নিয়োগ কৰা হয় তেন্তে এই Medical Hospital ত বহুতো ভীৰ কমি যায় আৰু কেলেঙ্কাৰীৰ পৰাও ৰক্ষা পোৱা হব।

Shri Golok Chandra Patgiri (Deputy Minister, Health)—অধ্যক্ষ মহোদয়, যোৱা ৮-৩-৭১ তাৰিখৰ দৈনিক অসমত প্ৰকাশ পোৱা আৰু এগৰাকী ৰোগীৰ সন্ধান নাই শিতানত খবৰ সম্পৰ্কে চৰকাৰে গুৱাহাটী মেডিকেল কলেজৰ অধ্যক্ষক তদন্ত কৰিবলৈ দিয়ে।

অধ্যক্ষৰ প্ৰাথমিক Report ৰ পৰা জনা যাব যে, ৰোগী শ্ৰীমতী সুশীলা বালা ভূঞা এতিয়ালৈকে গুৱাহাটী মেডিকেল কলেজৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। মেডিকেল কলেজৰ অধ্যক্ষৰ পৰা

এই সম্পৰ্কে এই মাত্ৰ Report পোৱা গ'ল যে, শ্ৰীমতী সুশীলা বালা ভূঞাক ১২-২-৭১ তাৰিখে গুৱাহাটী মেডিকেল কলেজত দুটা বিভিন্ন ৰোগৰ কাৰণে ভৰ্ত্তি কৰা হৈছিল। ১২-২-৭১ তাৰিখে তেখেতক "গাইনকলোজিকেল" বিভাগত ভৰ্ত্তি কৰি চিকিৎসা কৰা হৈছিল। সেই ৰোগৰ চিকিৎসা শেষ কৰি তেখেতক আনটো অসুখৰ কাৰণে চাৰ্জিকেল বিভাগত ভৰ্ত্তি কৰা হয় আৰু সেই বিভাগত তেখেত এতিয়াও চিকিৎসাধীন হৈ আছে। তেখেতক হস্পিতালৰ পৰা এৰি দিয়া হোৱা নাছিল বা তেখেত নিজেও অন্তৰ্ধান হোৱা নাছিল।

Shri Sailen Medhi—মাননীয় মহোদয়, বাতৰি কাকতত যিটো খবৰ ওলাইছিল গুৱাহাটী মেডিকেল কলেজৰ পৰা এগৰাকী ৰোগী অন্তৰ্ধান হৈছিল বুলি এই সম্পৰ্কত যেতিয়া অনুসন্ধানৰ কথা ভাবিছিল তেতিয়া এই অনুসন্ধান গুৱাহাটী মেডিকেল কলেজৰ Principal ৰ জৰিয়তে হৈছিল। মেডিকেল কলেজৰ Principal এ সমগ্ৰ কামৰূপ জিলাতে অনুসন্ধান কৰাৰ ক্ষমতা নাই। কিন্তু এই অনুসন্ধান যদি Civil Surgeon ৰ জৰিয়তে কৰা হলে প্ৰকৃত তথ্য পোৱা গলহেতেন গতিকে Principal এ কৰা অনুসন্ধানটো সত্য নহবও পাৰে। প্ৰথমতে যেতিয়া এই খবৰ বাতৰি কাগজত ওলাইছিল তেতিয়া Medical College ৰ Principal এ এই কথা contradict কৰা নাছিল। কিন্তু এতিয়া যেতিয়া অনুসন্ধানৰ কথা আহিল তেনে অৱস্থাত তেওঁ উত্তৰ দিছে। এই কথাটোৰ অনুসন্ধান Civil Surgeon ৰ জৰিয়তে কৰিলে ভাল হলহেতেন। এতিয়াও এইটো Department ৰ জৰিয়তে অনুসন্ধান কৰাব নেকি ?

Shri Golok Chandra Patgiri—Department ৰ আপত্তি নাথাকিলে কৰাব পৰা হব।

Shri Bhubaneswar Barman—এই বাতৰি যেতিয়া গোটেই অসমতে প্ৰচাৰ হল তেতিয়া গোটেই অসমত চাঞ্চল্যৰ সৃষ্টি কৰিলে। আৰু ইয়াৰ কোনো প্ৰতিবাদ কোনেও নকৰিলে। আৰু এই অনুসন্ধান মেডিকেল কলেজৰ জৰিয়তে কৰা হৈছে। আৰু এতিয়া এইটো Civil

Surgeon জৰিয়তে কৰাবনে ?

Shri Golok Chandra Patgiri—এইটো কৰোৱা হব।

Shri Kamini Mohan Sarma—মই ইয়াৰ লগতে এইটোও সংযোগ কৰিব খুজিছো যে মেডিকেল কলেজৰ কৰ্তৃপক্ষই এনে ধৰণৰ কেলেঙ্কাৰী সদায়েই কৰি আহিছে। এতিয়া মোৰ কথা হৈছে Civil Surgeon জৰিয়তে এইটোৰ তদন্ত কৰিব লাগে আৰু যাতে ভৱিষ্যতে এনে নহয় তাৰ ব্যৱস্থা কৰিব লাগে।

Shri Kamini Mohan Sarma—আমি মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো যাতে এনে ধৰণৰ ঘটনা ভৱিষ্যতে পুনৰাবৃত্তি নহয়।

আৰু ইয়াৰ অনুসন্ধান Civil Surgeon ৰ জৰিয়তে Enquiry কাৰোৱাই এটা ৰিপৰ্ট আনিব লাগে।

Shri Golok Chandra Patgiri—এই সম্পৰ্কে যি ব্যৱস্থা কৰিব লাগে ভৱিষ্যতে কৰা হব।

Shri Kamini Mohan Sarma—Enquiry Civil Surgeon ৰ দ্বাৰা কৰাবনে নকৰায় ?

Shri Mahendra Mohan Choudhury—মিনিষ্টাৰে যি খিনি তথ্য দিছে তাৰ উপৰি কিবা থাকিলে তদন্ত কৰোৱা হব।

Shri A.N. Akram Hussain—এই সম্পৰ্কত মই মানবীয় দৃষ্টি কোনৰ পৰা এই কথা কব খুজিছো যে মেডিকেল কলেজত যি বিলাক মহিলা বা শিশুক ভৰ্ত্তি কৰা হয় তেওঁলোকৰ অভিভাৱকক আগতে নজনোৱাকৈ যাতে হাস্পতালৰ পৰা release কৰা নহয় তাৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰিব লাগে।

Shri Mahendra Mohan Choudhury—এনে ধৰণৰ ৰোগী বিলাকক নিৰ্দ্দিষ্ট সময় দি Release অৰ ব্যৱস্থা কৰিলে যুক্তিযুক্ত হব বুলি ভাবো।

## Statement by the Chief Minister—Death of a person in Dibrugarh Police Station Lock-up.

Shri Bhubaneswar Barman—অধ্যক্ষ মহোদয়, কালি মই এটা কথা সদনত উত্থাপন কৰিছিলো আৰু তাৰ উত্তৰ মুখ্যমন্ত্ৰী মহোদয়ে আজি সদনত দিয়াৰ কথা আছিল।

Shri Mahendra Mohan Choudhury (Chief Minister)—Sir, I want to make the statement now. On 17th March, 1971, one unidentified person was found dead in the Dibrugarh Police Station lock-up. On receipt of information from police at 8.30 A.M. On 17th March, 1971, the Sub-divisional Magistrate (Executive) Dibrugarh was directed to make an enquiry regarding the occurrence. He held an inquest over the dead body and recorded statements of witnesses and sent the body for post-mortem examination. Statements reveal that the person was proceeding in a bicycle on the night of 16th March, 1971, on a road in Gabharupathar area of Dibrugarh town and dashed against a stack of gravels and fell down there. He was sighted by a Rickshaw Puller at about 11.30 P.M. on 16th March, 1971, who informed the Gabharupathar Police Beat House. Police went to the place of occurrence and found the person lying unconscious and drunk and with injuries. They carried him in the rickshaw to Sadar Police Station at about 12.20 A. M. on 17th March, 1971. Sadar Police Station immediately sent him to Assam Medical College under Police escort for examination and treatment.

Doctor in the Assam Medical College sent the patient back under Police escort for keeping him in Police Lock-up. He was kept in the Thana Lock-up, and in the early hour of the morning he was found to be dead.

Post-mortem examination report reveals one abrasion on the back of the left elbow joint and one bruise on the back of the right elbow joint and one bruise on the right side of forehead as well as fractures of the left temporal bone and left sphenoid bone and the opinion of the doctor in the postmortem report is that the person died of shock and haemorrhage due to fracture of the skull bones. The person was subsequently known to be one Benu Hazarika of Barbari Ward. A few more witnesses still remain to be examined and the matter is still under enquiry.

Discussion on rising prices of foodstuff in the State.

Mr. Speaker—Item 3, ইয়াৰ কাৰণে ১ ঘণ্টা সময় দিয়া হৈছে।

Shri Kamini Mohan Sarma—এইটো এটা গুৰুত্বপূর্ণ খাদ্য সম্পৰ্কীয় লাগতিয়াল কথা। গতিকে ইয়াৰ কাৰণে ১ ঘণ্টাৰ বেচি সময় দিবলৈ অনুৰোধ কৰিছো।

Shri Govinda Kalita—মাননীয় অধ্যক্ষ মহোদয়, মই যিটো বিষয়ে উত্থাপন কৰিব বিচাৰিছো সেই বিষয়টো অসমৰ জনসাধাৰণৰ কাৰণে গুৰুত্বপূর্ণ বিষয়। এই বিষয়টো হৈছে আমাৰ ৰাইজৰ নিত্য প্রয়োজনীয় বস্তু সমূহৰ আৰু বিশেষকৈ খাদ্য বস্তুৰ দাম অত্যন্ত বৃদ্ধি পাইছে। এই কাৰণে আমাৰ সাধাৰণ তৰফৰ ৰাইজৰ, মধ্যবিত্ত চাকৰীয়াল সকলৰ, সাধাৰণ খেতিয়ক, বনুৱা সকলৰ অৱস্থা অত্যন্ত সংকটপূর্ণ হৈছে। গতিকে কথা হৈছে যে নিত্য প্রয়োজনীয় জিনিচ-পত্রৰ দাম আশাতীত ভাবে অসমত বৃদ্ধি হৈছে। এই বৃদ্ধিৰ কাৰণ কি? যদি চৰকাৰক ইয়াৰ কাৰণ শুধা যায় তেনেহলে চৰকাৰে কব যে সৰ্ব্বভাৰতীয় ভিত্তিত বস্তুৰ দাম বাঢ়িছে আৰু সেই হিচাবে অসমতো বাঢ়িছে; এই কথা চৰকাৰে কয়। কিন্তু আচলতে এই কথা নহয়। আচলতে কথাটো এইটো যে,

অসমত বস্তুৰ দাম সৰ্ব্বভাৰতীয় দামৰ তুলনাত প্ৰায় দুগুন আঢ়েগুন মান বেচি। দ্বিতীয়তে আমাৰ ৰাজ্যত বস্তুৰ দাম বৃদ্ধি হোৱাৰ মূল কাৰণ হ'ল—আমাৰ যোগান বিভাগ। ইয়াৰোপৰি অসমত যি পাইকাৰী ব্যৱসায়ী আছে তাৰ লগত অসম চৰকাৰৰ যোগান বিভাগৰ গোপনীয় সম্পৰ্ক থকাটো অসমত বস্তুৰ দাম বৃদ্ধি হৈছে। অসমত বস্তুৰ দাম কি ধৰণে বৃদ্ধি আৰু কোন সময়ত এই বস্তুৰ দাম বাঢ়ে তাৰ এখন তালিকা মই সদনত দাঙি ধৰিব খুজিছো। আমাৰ অসমত চেপ্তেম্বৰ, অক্টোবৰ, আৰু নৱেম্বৰ এই তিনি মাহতে বস্তুৰ দাম আটাইতকৈ বেচি হয়।

Shri Kamakhya Prasad Tripathi—এইটো ধানৰ দামৰ কথা কৈছেনে সকলো বস্তুৰ দামৰ কথা কৈছে।

Shri Govinda Kalita—মই সকলো খাদ্যবস্তুৰ কথাই কৈছো। আজি মই যিখন তালিকা দিছো সেইখন পাইকাৰী তালিকাহে। সেই দামমতে সাধাৰণ গ্ৰাহকে নাপায়। উদাহৰণ স্বৰূপে— মচুৰ দাইলৰ দাম ১৫।৪।৭০- ১৩০/-, ১৪।৫।৭০- ১৩১/-, ১৭।৬।৭০- ১৩১/-, ২০।৭।৭০- ১২৯/-, ৭।৮।৭০- ১৩২/-, ১৪।৯।৭০- ১৩১/-, ১২।১০।৭০- ১৩২/-, ৪।১১।৭০- ১৩০/-, ১।১।৭১- ১৩৫/-, ১১।১।৭১- ১৩৩/-, ২১।১।৭১- ১৩৩/-, ৩০।১।৭১- ১৩২/-, ৮।২।৭১- ১৩২/-, ১৫।২।৭১- ১৩৩/-, ২২।২।৭১- ১৩৬/-, ১।৩।৭১- ১৩৪/-, ১৩।৩।৭১- ১৩৭/-, ২২।১।৭১- ১৩৭/-,

তাৰ পিচত মুগৰ দাইলৰ দাম—

১৭।৪।৭০- ১৪৮/-, ২৭।৫।৭০- ১৬৩/-, ১৯।৬।৭০- ১৬০/-, ২০।৭।৭০- ১৬২/-, ১৮।৮।৭০- ১৬৮/-, ১০।৯।৭০- ১৭১/-, ১৬।৯।৭০- ১৭৪/-, ২৫।৯।৭০- ১৭৫/-, ২৮।৯।৭০- ১৮১/-, ২।১০।৭০- ১৮৬/-, ৩।১০।৭০- ১৯০/-, ৫।১০।৭০- ১৯৮/-, ১০।১০।৭০- ১৯৩/-, ১২।১০।৭০- ১৯০/-, ২০।১০।৭০- ১৮২/-, ৫।১১।৭০- ১৭০/-, ২৮।১১।৭০- ১৬৭/-, ২।১২।৭০- ১৬৪/-, ১।১।৭১- ১৬০/-, ১১।১।৭১- ১৬৩/-, ২১।১।৭১- ১৬৩/-, ৩০।১।৭১- ১৬০/-, ১।২।৭১- ১৬০/-, ৮।২।৭১- ১৬০/-, ১৫।২।৭১- ১৫৮/-, ২২।২।৭১- ১৫৯/-, ১।৩।৭১- ১৫৯/-, ৮।৩।৭১- ১৬২/-, ১৩।৩।৭১- ১৬৩/- আজি এনেকুৱা ধৰণেৰেই চেপ্তেম্বৰ, অক্টোবৰ মাহত

বস্তুৰ দাম বাঢ়ি যায়। আজি ধুবিৰ কাপোৰ ধোৱা দামো বাঢ়ি গৈছে। ইয়াৰ কাৰণ হৈছে washing চৌদাৰ দাম বাঢ়ি গৈছে। এই washing চৌদাৰ দাম— ১১।।৭ - ৯০/-, ১৫।১।৭১- ১০২/-, ৮।৩।৭১- ১০২/- আৰু ১৩।৩।৭১- ১০৫/- আৰু ২২।৩।৭১- ১১১/- টকা।

আজি এইদৰেই প্ৰত্যেক বস্তুৰেই দাম বাঢ়ি গৈছে। আজি জনসাধাৰণৰ অতি লাগতিয়াল বস্তুৰ দাম এই নবেম্বৰ, ডিচেম্বৰ মাহতেই বাঢ়ে। আৰু খেতিৰ দিনতো এই দাম নকমে। এতিয়া এই দাম বৃদ্ধিৰ লগত আমাৰ যোগান বিভাগৰ সম্পৰ্কতো কেনেকুৱা তাক কব খুজিছো। এই কথাটো যোৱা বিধান সভাতো আলোচনা হৈছিল। তেতিয়া আমাৰ যোগান মন্ত্ৰী মহোদয়ে কৈছিল তেখেতে এই কথাটো Chambers ৰ লগত আলোচনা কৰিব। আমাৰ মন্ত্ৰী মহোদয়ে Chambers ৰ লগত আলোচনা কৰিছিল। কিন্তু বস্তুৰ দাম নকমিল। বৰং বস্তুৰ দাম বাঢ়িয়েই থাকিল। বাইজক এই বিষয়ে নজনালেই। ইয়াৰ পাচত দাম কিমান কমিল মই তাৰ এটা নমুনা দিব খুজিছো। এইখন যোৱা বছৰ ১৯৭০ চনৰ ২৮ নবেম্বৰৰ "আসাম ত্ৰিবিউন"। ইয়াত মন্ত্ৰী মহোদয়ৰ লগত Chambers এ আলোচনা কৰি যোৱাৰ পাচত Chambers ৰ প্ৰতিনিধিয়ে ঘোষণা কৰিছিল। ইয়াত মচুৰ দাইল আৰু মুগৰ দাইলৰ দাম দিছিল। কিন্তু ৰহৰ দাইলৰ দাম তাত দিয়া হোৱা নাছিল— যিটোৰ দাম তেতিয়াও বাঢ়িয়েই আছিল। তাৰ কথা জনোৱা নাছিল। এতিয়া কথাটো হ'ল যে সৰ্ব্বভাৰতীয় দামৰ লগত আমাৰ অসমৰ বস্তুৰ দামৰ অলপো মিল নাই। তাৰ উদাহৰণ স্বৰূপে মই কব খুজিছো যে, ১।১২।৭০ তাৰিখে কটন কলেজৰ অৰ্থনৈতিক বিভাগৰ অধ্যাপিকা শ্ৰীমতী তৃষ্ণা মহন্তই ৭.৩০ মিনিটত এটা Radio Talk দিছিল।

তেখেতে এটা কথা কৈছিল যে গুৱাহাটীত মগু দাইলৰ প্ৰতি কুইণ্টলত ১৯০ টকা যেতিয়া তেতিয়া বম্বেত প্ৰতি কুইণ্টলত দাম আছিল ১৩০ টকা। গতিকে এইটো কথা অনুমান কৰিব পাৰি যে সৰ্ব্বভাৰতীয় বস্তুৰ দামৰ লগত অসমৰ নিমিলে। মজুতকাৰী সকলে কিমান বস্তু

জমা ৰাখিছে বা ৰতৰতে কিমান বস্তু ৰাখি দাম লবৰ বাবে কি কি ষড়যন্ত্ৰ কৰে সেইকথাও চৰকাৰে নিশ্চয় জানে। বিশেষকৈ এই ব্যৱসায়ী সকলে Railway Movement ৰ কাৰণে ১ হাজাৰ টকা জমা দি দৰ্খাস্ত কৰিলে তেওঁলোকক চৰকাৰৰ পৰা অগ্ৰাধিকাৰ দিয়া হয়। ইয়াৰোপৰি কিছুমান প্ৰয়োজনীয় সামগ্ৰী যেনে— মগু দাইল, মচুৰ দাইল, ৰহৰ দাইল, মাটিকলাই ইত্যাদি কোনোবাই যদি ১০ কুইন্টল ৰাখে তাৰ হিচাব যোগান বিভাগক দিব লাগে। যদি আটাই কেইবিধৰ ২৫ কুইন্টল বস্তুও থাকে তেন্তে তাৰ হিচাবো যোগান বিভাগক জানিব দিব লাগে। যোগান বিভাগে ক'ৰ বস্তু আহি ক'ত জমা হয় তাৰ খবৰ জানিব লাগে। অধ্যক্ষ মহোদয়, মই উদাহৰণ এটা দিব খুজিছো যে, আমাৰ যোগান বিভাগে পাইকাৰী বেপাৰী সকলৰ লগত লগ লাগি ৰাজ্যত বস্তুৰ দাম বৃদ্ধি কৰিছে আৰু অশান্তিৰ সৃষ্টি হৈছে।

মই প্ৰথমতে বনস্পতিৰ কথাকে কব খোজো। ইয়াৰ দাম কেন্দ্ৰীয় চৰকাৰে ঠিক কৰি দিছে। নবেম্বৰ মাহৰ ২৪ তাৰিখে এই বনস্পতিৰ দাম Distribution Agent বিলাকক কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিছে। Distribution Price ৯৫ টকা ২৮ পইচা। আৰু Retail Price ৯৬.৬০ পইচা। কিন্তু নবেম্বৰৰ ২৪ তাৰিখে সেই বস্তু বিক্ৰি হৈছিল ১২৲ টকাত। আনহাতে ডালডাৰ ৪ কিলোৰ টিনত ২৪.১৮ পইচা আৰু Retail Price ২৫.৫০ পইচা। ২ কিলো ডালডাৰ টিনৰ দান ১৩.১০ পইচা আৰু Retail Price ১৩.২৬ পইচা। কিন্তু এই দামত ডালডা পোৱা নাযায়। কেন্দ্ৰীয় চৰকাৰে দাম নিৰ্দ্ধাৰণ কৰি দিয়া বস্তুৰো বেপাৰীসকলে এইদৰে দাম বৃদ্ধি কৰিছে আৰু এই কাৰ্য্যত যোগান বিভাগে সহায় কৰিছে। কামৰূপ জিলাৰ D. C. য়ে মাজতে Whole Seller নিয়োগ কৰি কমিচন দি এই কাৰ্য্যত সহায় কৰিছে। কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া মতে Distributing Commission পায় ৭ পইচা আৰু Retailer ৰে Commission পায় ৮ পইচা। কেন্দ্ৰীয় চৰকাৰে Whole Sell কৰিব দিয়া নাই আৰু এওঁলোকৰ কমিচনৰ কথাও নাই, তাৰ

স্বত্বেও D. C. যে Whole Seller নিয়োগ কৰাৰ মাজত ৮ পইচা কমিচন দিয়াৰ ব্যৱস্থা কৰিছে। এইদৰেই বস্তুৰ দাম বৃদ্ধি কৰা হৈছে।

মই আৰু এটা কথা কৈছো যে, কাপোৰ ধোৱা চৌদা, ই এটা কেমিকেল বস্তু। ইয়াৰ দামো কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিছে। চৌদা বিৰলা কোম্পানী আৰু টাটা কোম্পানীয়ে তৈয়াৰ কৰে আৰু মূল্য কেন্দ্ৰীয় চৰকাৰে থিক কৰি দিছে। অসমক ৪ টা Zone ত বিভক্ত কৰা হৈছে। ইয়াৰ দাম ৫২ টকাতকৈ বেছি নাছিল। কিন্তু এইটো বৰ্ত্তমান বজাৰত ১১২ টকা কেনেকৈ হব পাৰে, কেন্দ্ৰীয় চৰকাৰে থিক কৰি দিয়া বস্তুৰ দাম কেনেকৈ ইমান বেচি হব পাৰে? যোগান বিভাগে এইবিলাক কেনেকৈ চাই আছে?

ইয়াৰোপৰি বৰ্ত্তমান অতি গুৰুত্বপূৰ্ণ বিষয় হৈছে যে, আমাৰ অসমৰ ৰাইজৰ বাবে কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰক এটা Regular quota দিয়ে। কিন্তু চেনিৰ উৎপাদন ভাৰতবৰ্ষত বেচি বাবেই কেন্দ্ৰীয় চৰকাৰে অসমৰ বিভিন্ন ৰাজ্যত Ad-hoc quota দিছে আৰু যি ৰাজ্যই যিমান বিচাৰিছে সিমানেই দিছে। এই Ad-hoc quota দিয়াৰ মূল উদ্দেশ্য এই যে, যাতে অসমৰ ৰাইজে পূজা, উৎসৱ আদিত চেনি পায়; বিশেষকৈ গাওঁ অঞ্চলৰ মানুহে যাতে চেনি পাব পাৰে। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ পৰা যে, চেনিৰ Ad-hoc quota আহিছে সেইটো অসমৰ ৰাইজে নাজানে? আৰু সেইবাবেই আজি যোগান বিভাগে কেইজনমান একচেতিয়া ব্যৱসায়ীৰ লগলাগি এই বিলাক কাৰবাৰ কৰি আছে। এইখিনিতে মই এইটো কথা কব খুজিছো যে, যোৱা নৱেম্বৰ-ডিচেম্বৰ মাহত পূজাৰ বাবে Ad-hoc quota ৰ চেনি আহিছিল। আৰু সেই চেনি বিলাক যোগান বিভাগে কিছুমান একচেতিয়া ব্যৱসায়ীৰ লগ লাগি যোগান বিভাগে Allotment দিছে। আৰু সেই চেনিবিলাক Free Sale কৰি দিছে। পঞ্চায়তৰ যোগেদি দিয়া হোৱা নাই। বৰ্ত্তমান গুৱাহাটীত যিবিলাক পাইকাৰী ব্যৱসায়ী আছে যোগান বিভাগৰ লগত হলি গলি কৰি October আৰু November ত যিখিনি চেনি আহিছিল সেই চেনি গুৱাহাটী

কমাৰ্চিয়েলে পাইছে ১৫ Wagon, হনুমান ট্ৰেডিংয়ে পালে ১৫ Wagon, দেংবাঙ্গে পালে ৮ Wagon, Bharali ট্ৰেডিংয়ে পালে ৩ Wagon আৰু ৰামপাল আগৰৱালাই পালে ৩ Wagon।

গোটেই খিনি মিলি ৫২ Wagon, Sir। এতিয়া কথা হৈছে এনেকুৱা ধৰণৰ চেনি আহি আছে, হাজাৰ হাজাৰ Quintal চেনি আহিয়েই আছে, এইটো কিন্তু Ad-hoc quota ৰ চেনি, এই Ad-hoc quotaৰ চেনিত বিষম ষড়যন্ত্ৰ আছে। এই চেনি পাইকাৰী ব্যৱসায়ীক দিয়ে Govt. য়ে চেনি লওতে চেনি লওতাৰ Permit আছে নে নাই সেইটোলৈও নাচায়। চেনি আহিলে Fair Price ত নিদিয়ে। আমাৰ তাত পূজাৰ সময়ত ৬০০ গ্ৰামকৈ দিছিল কিন্তু তাত অলপ দিনৰ পিচতে ৪০০ গ্ৰাম কৰিলে। এই চেনিখিনি আনি Free sale কৰি দিয়ে। যিখিনি চেনি অনা হয় সেইখিনি বেয়া বুলি দৰ্খাস্ত কৰিলে Supply Deptt. য়ে Free sale কৰিবলৈ দিয়ে; Free sale কৰাত কিমান লোকচান হৈছে জানেনে, অকল গুৱাহাটী চহৰতে এতিয়ালৈকে ৪০০Wagon চেনি অৰ্থাৎ প্ৰায় ৪০০০০ বেগ আহিছে তাৰ ভিতৰত ৢ ভাগেই Free sale দিছে, এতিয়া মুকলি বজাৰত চেনি প্ৰতি বেগৰ দাম ১৯৬ টকা। এই কাৰণে Ad-hoc quota ৰ চেনি Free sale ত দিয়াত কিমান লাভ হৈছে জানেনে? প্ৰতি বেগত ৩১ টকাকৈ লাভ কৰে এইদৰে ৪০ হাজাৰ বেগত ১ কোটি ৪০ হাজাৰ টকা লাভ হৈছে। ইয়াৰ উপৰিও ডাঙৰ কথা হৈছে "লেভী চেনিৰ" Excise duty %২৫ টকা। Free saleৰ Excise duty ৩৭ টকা ৫০ পইচা, ১২.৫০ পইচাকৈ Excise duty কম। এই চেনি আমি Free কৰি দিয়া হ'ল কিয়? Excise duty তে চৰকাৰে লাখ লাখ টকা লোকচান কৰিছে। সেই প্ৰীতিটো কিয় হৈছে? আকৌ চৰকাৰে Whole seller ৰক বেগে প্ৰতি ৪ টকা ৬৭ পইচাকৈ Commission দিয়ে কিন্তু খুচুৰা বেপাৰীক দিওতে Commission দিয়ে বেগে প্ৰতি ২.৬৮ পইচা।

গতিকে Whole sale ৰ প্ৰতি চৰকাৰৰ বিশেষ প্ৰীতি থকাটো দেখা যায়। আৰু এটা কথা চাওক Free sale ৰ চেনি D.C. ৰ চহী হলে

R.R. খন বিনা পইচাই খালাচ কৰি আনিব পাৰে। Supply Deptt. য়ে কব পাৰে যে এই বিলাক চেনি বেয়া, কিন্তু প্ৰকৃততে সেইটো নহয়; Supply Deptt. ৰ এটা মাত্ৰ উপায় আছে বেচিবিলাক বেয়া বুলি কোৱা। Deptt. য়ে কয় যে Fair Price Shop য়ে এইবিলাক চেনি নিনিয়ে কিন্তু আচল কথা সেইটো নহয় আচলতে Fair Price Shop ক তেওঁলোকে ভাল চেনিটো নিদিয়ে তাৰ নমুনা লৈ আহিছো চাওক।

Fair Price দোকানীয়ে এই ভিজা চেনিটোহে পায় যদি কোনোবা জনক Fair Price দোকানীয়ে ধমক দিয়ে তেতিয়াহলে এই মজলীয়া শ্ৰেণীক চেনিটো দিয়ে। কিন্তু এই ভাল চেনিটো কেতিয়াও নিদিয়ে। অধ্যক্ষ মহোদয় এই কাৰণে মানুহে Fair Price দোকানৰ পৰা চেনি নিনিয়ে, আৰু পইচা বেচি দিও মানুহে Open Market ৰ পৰাহে বেচি কিনে।

Shri Ramesh Chandra Barua (Minister, Supply)—এইটো কোন ঠাইৰ ঘটনা?

Shri Govinda Kalita—খাচ গুৱাহাটী চহৰৰ কথা কৈছো।

Shri Ramesh Chandra Barua—এইটো D.C. লেভেলট হৈছে নে D. D. S. ৰ Level ত হৈছে?

Shri Gavinda Kalita—Sir, মই কব ধৰিছো লেভী চেনিত যেতিয়া লাখ লাখ টকা লাভ কৰিছে বুলি কথাটো বাইজৰ মাজত ওলাল, তেতিয়া কি হল জানানে, অসম চৰকাৰে এইবাৰৰ পৰা লেভী চেনি নমাটো সিদ্ধান্ত লৈছে গতিকে চেনিৰ দাম কি দৰে বৃদ্ধি পাইছে আৰু তাত কি ষড়যন্ত্ৰ আছে আপোনালোকে বুজিব পাৰিছে। তাৰ পাচত মই আন এটা গুৰুত্বপূৰ্ণ লাগতিয়াল বস্তুৰ কথা কৈছো—গম। যিবিলাক বোলাৰ মিল আৰু চাকি মিলত চৰকাৰে মাহিলী গম Allot কৰে সেই মিল বিলাকে মাহৰ ভিতৰত নিৰ্দ্ধাৰিত মূল্যত বিক্ৰী নকৰে আৰু মাহৰ শেষত ক'ব যে Allot কৰা গম বিক্ৰী নহল আৰু Free Sale ৰ

হুকুমৰ আবেদন কৰে আৰু Free Sale ত বিক্ৰী কৰি অধিক মুনাফা কৰে।

তাৰ পিচত মই নিমখৰ কথালৈ আহো। গুৱাহাটী বজাৰত আগতে নিমখৰ বস্তাৰ দাম আছিল ১২ টকা আৰু এতিয়া হৈছে ৭ টকা আৰু এই নিমখৰ দাম যে বেছি এই কথা যোগান বিভাগেও জানে। যোগান বিভাগে জানিছে সম্প্ৰতি ৫ জন মানুহক Top Priority দি নিমখ আনিব দিছে। তেওঁলোক হ'ল—

| | | |
|---|---|---|
| ১। | ভৰালী চাপ্লাই কৰপোৰেচন | ৭৬ ওৱেগন |
| ২। | গিৰিধাৰী লাল ৰাজকুমাৰ | ৭৬ ,, |
| ৩। | মেচাৰ্চ এড্ৰাপিজ | ২০ ,, |
| ৪। | জয়চান্দ লাল | ২০ ,, |
| ৫। | নিৰ্ম্মাণ কুমাৰ | ২০ ,, |

ইতিমধ্যে জয়পুৰৰ কমিচনাৰলৈ আমাৰ চৰকাৰে নিমখৰ কাৰণে চিঠি লিখিছে। কমিচনাৰে এই অনুৰোধ প্ৰত্যাখ্যান কৰিছে। তেওঁলোকে কৈছে যে অসমে South Zone ৰ অৰ্থাৎ কলিকতাৰ পৰা নিমখ লব লাগিব। West Zone নিমখ দিয়া নহব। এই বিধান সভাতে মই আৰু এবাৰ নিমখৰ কথা কৈছিলো যে অসম চৰকাৰ আৰু কলিকতাৰ মাজত নিমখৰ যি সম্পৰ্ক সেই ব্যৱস্থা উঠাই দিব লাগে নহলে আমি সদায়ে বেয়া নিমখ খাব লাগিব আৰু দামো বেছি দিব লাগিব।

তাৰ পিচত মই মিঠাতেলৰ কথালৈ আহিছো। এই মিঠাতেলৰ দাম বৰ্ত্তমান টিনত ৯১ টকালৈ হৈছে। ইয়াৰ কাৰণে দায়ী যোগান বিভাগ। আমি জানো যোৱাবাৰ সৰিয়হৰ বতৰত যাতে সৰিয়হ বাহিৰলৈ যাব নোৱাৰে তাৰ কাৰণে কামৰূপ, নগাওঁ আৰু দৰংৰ উপায়ুক্তই যোগান বিভাগে বিশেষ ব্যৱস্থা লব লাগে বুলি লিখিছিল। এই সম্পৰ্কত যোগান বিভাগৰ সচিব আৰু মন্ত্ৰী মহোদয়ৰ মাজত আলোচনাও হৈছিল কিন্তু ইয়াক বন্ধ কৰাৰ কাৰণে কোনো ভ্ৰূক্ষেপ নকৰিলে। ফলত ধেৰ সৰিয়হ অসমৰ বাহিৰলৈ ওলাই গ'ল। ফলত তেলৰ দাম বাঢ়ি গ'ল। উপায়ুক্ত সকলৰ অনুৰোধ প্ৰত্যাখ্যান কৰিলে যোগান বিভাগে। কাৰবাৰী

সকলে টকা ঘটাব সুযোগ ললে। মিঠাতেলৰ এই অনাটনলৈ চাই ভাৰত চৰকাৰে কানাডাৰ পৰা 'ৰেপচিদ' নামৰ সৰিয়হ আমদানি কৰাৰ ব্যৱস্থা কৰিলে। এই কথা নবেম্বৰ মাহৰ Statesman কাগজত প্ৰকাশ পাইছে প্ৰায় ৮ টন সৰিয়হ ভাৰত চৰকাৰে লৈছে আৰু ইয়াৰ প্ৰায় ১৪ টন সৰিয়হ পশ্চিমবঙ্গ চৰকাৰে সংগ্ৰহ কৰিছে। অথচ সেই সময়ত আমাৰ চৰকাৰে নাকত তেল দি শুই থাকিল।

( বঙালীতে )

বৃহত্তর কলকাতা বিধিবদ্ধ কোন এলাকায় কোন দোকান মারফত কানাডার সরিষা তৈল বণ্টন।

ঃ বৃহত্তর কলকাতা বিধিবদ্ধ কোন এলাকায় কোন দোকাগুলি মারফত কানাডার সরিষার তেল বণ্টন করা হচ্ছে।

ঃ যে দোকানে আপনার কোন কার্ড রেজেষ্ট্রী করা আছে সেই কোন দোকানে আপনার কোন কার্ড দেখিয়ে কিলো প্রতি চার টাকা চল্লিশ পয়সা দরে আপনি এই তেল কিনতে পারেন।

ঃ সাপ্তাহিক বরাদ্দের পরিমাণ শিশু ও বয়স্ক নির্বিশেষে মাথাবিন্দু আড়াই শ গ্রাম আর আপনি একবারে চায় সপ্তাহের পর্যন্ত বরাদ্দ পেতে পারেন।

ঃ এই তেলের চাহিদা ক্রমেই বেরে চলেছে; সেইজন্য যাতে বৃহত্তর কলকাতা বিধিবদ্ধ কোন এলাকার প্রত্যেকে এই তেল পেতে পারেন তার ব্যবস্থা করা হচ্ছে।

ঃ আপনি আপনার কোন দোকান থেকে আপনার প্রাপ্য তেল সংগ্রহ করুণ। এইটো ওলাইছে ১৮ মার্চ ১৯৭১ চনৰ যুগান্তৰত। তাত পিচত আমাৰ যোগান বিভাগৰ সচিবে ১৬।৩।৭১ তাৰিখে হুকুম দিলে।

সৰিয়হৰ Permit দিলে কাক আপোনালোকে চাওঁক—

(১) ভৰালী চাপ্লাই কবপোৰেচন (২) গিৰিধাৰী লাল ৰাজকুমাৰ (৩) চেৰাউগী এণ্ড তেজ ইন্দ্ৰাষ্ট্ৰিজ (৪) মেচাৰ্চ ইন্দ্ৰাষ্ট্ৰিজ (৫) এম চি আগৰৱালা (৬) লালচান্দ মতিলাল (৭) ওম প্ৰকাশ কোঃ (৮) দেবী ধনুকা।

এতিয়া কথা হ'ল এই যে ৮ জনক Permit দিলে তেওঁলোকৰ মাজত মাত্ৰ Kothari Mill আৰু Dhanuka Mill ৰহে মিল আছে। বাকী কেইখন wholeseller ৰ নিজৰ মিল নাই। গতিকে এওঁলোকে ব্যৱসায় কৰিবলৈ সুবিধা পাব। কানাডাৰ পৰা অহা সৰিয়হৰ তেল ৰেচনৰ দোকানৰ যোগেদি বিক্ৰী কৰাৰ ব্যৱস্থা নাই। ফলত তেওঁলোকে মুকলি বজাৰত অতিৰিক্ত দামত বিক্ৰী কৰিব যিহেতু যোগান বিভাগৰ Strict Vigilance নাই।

কিন্তু পশ্চিম বঙ্গ চৰকাৰে ৰেচন দোকানৰ যোগেদি বিক্ৰী কৰাৰ ব্যৱস্থা কৰিছে। কিন্তু আমাৰ ইয়াত তেনে কোনো ব্যৱস্থা কৰা নাই। বৰ্ত্তমান চাউলৰ দাম ইমান বৃদ্ধি হৈছে যে তাক কল্পনাই কৰিব নোৱাৰি। বৰ্ত্তমান চাউলৰ প্ৰতি কেজি ১.৪০ টকাৰ কৰা ১.০৫ টকা আনকি ১.৯০ টকালৈও উঠিছে। অকল গুৱাহাটী চহৰত বৰ্ত্তমান জনসংখ্যাৰ কাৰণে প্ৰত্যেক দিনে দৰকাৰ হয় প্ৰায় ৩শ টন চাউল। গুৱাহাটীৰ ৰাইজৰ বাবে দৈনিক প্ৰয়োজন হোৱা ৩০ হাজাৰ কুইণ্টল চাউলৰ কোনো ব্যৱস্থাই যোগান বিভাগে কৰা নাই। আনকি যোৱা ১০।১২।৭০ তাৰিখৰ পৰা Fair Price Shop তো চাউল যোগান ধৰা নাই। গুৱাহাটীৰ মানুহে খাব কি? গুৱাহাটী চহৰৰ মানুহে ভাত খোৱাৰ বাবে চাউল নাই। গুৱাহাটীৰ ৰাইজক কি খাবলৈ দিছে? চাউলৰ ক্ষেত্ৰত যোগান বিভাগে পাইকাৰী ব্যৱসায়ী কিছুমানৰ লগত গোপনে গোপনে ব্যৱসায় কৰিছে। পঞ্জাৱৰ পৰা বাচমতি চাউল অনাৰ, নেপালৰ পৰা চাউল অনাৰ কথাও শুনিছো। যোৱা ৪ মাহৰ আগতে দুশ টন বাচমতি চাউল Allotment দিছে। গুৱাহাটী চহৰৰ বাবে এশ আৰু শ্বিলং, ডিব্ৰুগড়ৰ বাবে ৫০—৫০ টন। গুৱাহাটীত যি কেইজনক দিছে সেই কেইজন হ'ল—

(১) ভৰালী চাপ্লাই কৰপোৰেচন।

(২) গিৰিধাৰী লাল ৰাজকুমাৰ।

এই দুখন ফাৰ্ম নামত বেলেগ হলেও আচলতে ফাৰ্ম এখনেই। এই চাউল কলৈ গ'ল জনা নাযায়। আনকি চৰকাৰেও কোনো খবৰ নাজানে। তেওঁলোকে বাহিৰতে বিক্ৰী কৰিছে। মই Challenge কৰি কব পাৰোঁ।

সিদিনাখন আৰু দ্বিতীয় কিস্তিৰ বাবেও Permit দিছে ; এইবাৰ এহাজাৰ টন। তাৰে ৮ শ টনৰ Permit ইতিমধ্যে দিছে সেই এইখন হ'ল

(১) ভৱালী চাপ্লাই কৰপোৰেচনক দিছে ১৫০ টন যিয়ে আগৰ চাউলত কি কৰিছে চৰকাৰৰ খবৰ নাই।

(২) মেচাৰ্চ ইন্দ্ৰাষ্ট্ৰিজ ৫০ টন।

(৩) ত্ৰিবেনী ষ্টোৰ ৫০ টন।

(৪) এম চি আগৰৱালা ৫০ টন।

(৫) আৰ. কে. ট্ৰেড এণ্ড ইন্দ্ৰাষ্ট্ৰিজ ৫০ টন।

ভৱালী চাপ্লাই কৰপোৰেচনে ও গিৰিধাৰীলাল ৰাজকুমাৰে আগতে দিয়া চাউল কি কৰিলে ? বৰ্ত্তমান তেওঁলোকক কিয় দিলে ? আকৌ ইয়াত নাথ সকলৰ বেছি ভাগৰে চাউলৰ লাইচেন্স নাই। আগতে Permit পাইছে পিচতে লাইচেন্স কৰিছে। এইলোক একেলগে Imported wholeseler আৰু retailer লগতে Consumer ও।

( সময়ৰ সংকেত )

Mr. Speaker—আৰু কিমান সময় লাগিব ?

Shri Govinda Kalita—সৰ্ব্বশেষত মই কওঁ যে ২৪।১১।৭০ তাৰিখৰ কাগজত গুৱাহাটী Staff Reporter এ লিখিছে—

Shri Ramesh Chandra Barua—কোন তাৰিখত ?

Shri Govinda Kalita—দৈনিক অসম, ২৪.১১.৭০ তাৰিখৰ। ইয়াত লিখিছে—

চৰকাৰী চেনিৰে ভুৱা ব্যৱসায়ীৰ চাতুৰী।

(ষ্টাফ ৰিপোৰ্টাৰ)

গুৱাহাটীৰ এটা পাইকাৰী ব্যৱসায় কৰা প্ৰতিষ্ঠানে চৰকাৰ নিয়ন্ত্ৰিত কোটাৰ বেলিৰে চৰকাৰী কৰ্তৃপক্ষ আৰু ৰাইজৰ চকুত ধুলি দি অতিৰিক্ত লাভৰ চাতুৰী খেলা বুলি বিশ্বস্ত সূত্ৰৰ পৰা জানিব পৰা গৈছে।

এই প্ৰতিষ্ঠানটোৱে হেনো নিজা স্থায়ী কাৰ্য্যালয় আদি নোহোৱাকৈয়ে লেনদেন যুক্ত সুপ্ৰতিষ্ঠিত আন এটা প্ৰতিষ্ঠানৰ গাতে পোখা মেলি এটা কোম্পানীৰ নাম লৈ চৰকাৰৰ পৰা চেনিৰ লাইচেন্স সৰকাই কাৰবাৰ কৰি আছে।

গুৱাহাটীত খাদ্য সামগ্ৰীৰ দাম জুই চাই হোৱাৰ লগে লগে চৰকাৰ নিয়ন্ত্ৰিত খাদ্য সামগ্ৰীৰ মানো ক্ৰমে নিম্নগামী হোৱাৰ সন্দৰ্ভতে পম খেদি গৈ স্থানীয় যোগান কৰ্তৃপক্ষই যোৱা সোমবাৰে এই ৰহস্যজনক ঘটনা উদ্‌ঘাটন কৰে বুলি বিশ্বস্ত সূত্ৰৰ পৰা জানিব পৰা গৈছে।

আলোচ্য প্ৰতিষ্ঠানটোৱে যোৱা মাহত হেনো চৰকাৰৰ পৰা আবণ্টন পোৱা প্ৰায় ৪০ ভৰা চেনি আমদানি কৰে। কৰ্তৃপক্ষৰ নিৰ্দেশ ক্ৰমে তাৰে এক তৃতীয়াংশ মুকলি বজাৰত বিক্ৰী কৰিবলৈ দিয়া হয় আৰু বাকী দুই তৃতীয়াংশ কৰ্তৃপক্ষৰ অনুমতি পত্ৰৰ বিপৰীতে বিক্ৰী কৰিবলৈ মজুত কৰা হয়। সুলভ মূল্যৰ দোকানৰ জৰিয়তে বিতৰণ কৰাৰ কাৰণে কৰ্তৃপক্ষই উক্ত প্ৰতিষ্ঠানটোক উত্তৰ প্ৰদেশ আৰু বিহাৰৰ পৰা অহা মানবিশিষ্ট চেনিহে Reserve ৰাখিবৰ বাবে নিৰ্দ্দেশ দিছিল।

কিন্তু ইতিমধ্যে যোৱা সপ্তাহত উক্ত প্ৰতিষ্ঠানটোৰ পৰা চৰকাৰৰ অনুমতি সাপেক্ষে ধুবুৰীৰ সুলভ মূল্যৰ দোকানৰ জৰিয়তে বিক্ৰী কৰিবলৈ দুহেজাৰ কুইণ্টল চেনিৰ প্ৰেৰণ সংক্ৰান্তত অনেক গুজৱ গুলোৱা শুনা গৈছে। গোৱালপাৰাৰ এজন যোগান বিষয়াৰ তত্বাবধানত তাৰ ৩জন ব্যৱসায়ীক হেনো উক্ত চেনি নিয়াৰ ভাৰ দিয়া হয়। কামৰূপৰ উপায়ুক্তই স্থানীয় এজন যোগান বিষয়া আৰু গোৱালপাৰাৰ উক্ত বিষয়াজনৰ সাক্ষাতত উক্ত চেনিৰ প্ৰেৰণ কাৰ্ড ১৪ নবেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দ্দেশ দিয়ে। উক্ত চেনি গুৱাহাটীৰ এই প্ৰতিষ্ঠানটোৰ ৰিজাৰ্ভ কোটাৰ পৰা দিবলৈ দিয়া হয়। কিন্তু গুৱাহাটীৰ এই প্ৰতিষ্ঠানটোৱে নানা অজুহাত দেখুৱাই চেনি দিয়াত অনাহক বেলি কৰা বুলি হোনো কামৰূপ জিলাৰ উপায়ুক্তৰ দৃষ্টিগোচৰ কৰা হয় আৰু লগতে হিচাব অনুযায়ী জমা ৰখা আৰু নিবলৈ নিৰ্দ্দেশ দিয়া উচ্চ মানৰ চেনিৰ পৰিবৰ্ত্তে প্ৰতিষ্ঠানটোৱে নিম্নমানৰ সেমেকা চেনি আগবঢ়োৱা বুলিও অভিযোগ কৰা হয়।

Mr. Speaker—Order, order please. The House stands adjourned till 2 P.M. Mr. Kalita will speak.

(The Assembly met at 2 P.M. with Mr. Speaker in the Chair).

Re : Privilege Motion

Mr. Speaker—As regards the Privilege Motion I think we should take it up after Shri Kalita finishes his speech.

Or after the 2½ hour discussion is over it should be taken what is the opinion?

Shri Dulal Chandra Barua—After Shri Kalita finishes his speech.

Shri Mahendra Mohan Choudhury (Chief Minister)—If we are to discuss it at all then we should discuss it right now.

Mr. Speaker—We have got only one hour. Let us finish it and then we will start the other one.

Discussion on rising prices of foodstuff in the State

Shri Govinda Kalita—অধ্যক্ষ মহোদয়, ইয়াত থকা কথাখিনি পঢ়ি দিছো — ঘটনাৰ আঁৰত ৰহস্যৰ সন্দেহ কৰি স্থানীয় বিষয়া জনে প্ৰতিষ্ঠানটোত থকা চেনিৰ ভৰাল সমূহ পৰিদৰ্শন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰাত হেনো প্ৰতিষ্ঠানৰ গুৰিয়াল এজনে তেনে কৰিবলৈ দিবলৈ অমান্তি হয় আৰু ভীতি প্ৰদৰ্শনো কৰে। নিৰ্দিষ্ট সময়ত উক্ত ছুয়োজন বিষয়াৰ সাক্ষাতত মাত্ৰ ৫৯০ বস্তা চেনিহে দিয়া লোৱা হয় বুলি অভিযোগত কোৱা হৈছে। কিন্তু জনা গৈছে যে গুৱাহাটীৰ প্ৰতিষ্ঠানটো আৰু ধুবুৰীৰ ব্যৱসায়ী তিনিজনে মিলি উপায়ুক্তৰ নিৰ্দেশ উলংঘা কৰি কোনো বিষয়াৰ অনুপস্থিতিতে ১৪১০ কুইন্টল চেনিৰ দিয়া-লোৱা কাম সম্পূৰ্ণ কৰা দেখুৱায়। এই কাৰ্ডত কিবা অভিপ্ৰায় থকা বুলি ভূ-বাখোতা মহলে সন্দেহ কৰিছে।

বৰ্ত্তমান গুৱাহাটীৰ যোগান বিভাগে হেনো এই প্ৰতিষ্ঠানটোৰ চেনিৰ ভৰালসমূহ আকস্মিকভাৱে পৰিদৰ্শন কৰি হিচাব অনুযায়ী কাকতে পত্ৰই মুকলি বজাৰত বিক্ৰী হৈ যোৱা বুলি দেখুউৱা বঙচুৱা আৰু সেমেকা চেনিহে পাইছে। আদেশমতে মজুত ৰাখিবলৈ দিয়া আমদানীকৃত উচ্চ মালৰ চেনিৰ সলনি উক্ত সেমেকা চেনি ৰখাৰ বিৰুদ্ধে কতৃপক্ষই এইদৰে অনুসন্ধান কাৰ্ড চলোৱাত বাইজে সন্তোষ প্ৰকাশ কৰা দেখা গৈছে।

অধ্যক্ষ মহোদয়, এই কথাখিনি মই এই কাৰণেই পঢ়ি দিছো যে

ইয়াত এই যিটো ঘটনা ঘটিল এই ঘটনা সম্পৰ্কত জড়িত Supply Inspector জন এই ব্যৱসায়ী জনৰ ফাৰ্মলৈ গৈছিল যোগান বিভাগৰ বিশেষ হুকুম মতে। যোৱাত এই Supply Inspector জনক ব্যৱসায়ী জনে জঘন্য অপমান কৰে। তাৰ পিছত এই লোকজনে তেওঁৰ লগৰ যোগান বিভাগৰে কৰ্মচাৰী সকলক কোৱাত তেওঁলোক লগহৈ agitation কৰিলে। আনকি Deputy Commissioner কো ঘেৰাও পৰ্য্যন্ত কৰিছিল। যিহওঁক এই কাৰণেই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো এই কথাটো কি হ'ল? ইতিমধ্যে জানিছো যে যোগান বিভাগৰ উচ্চতম বিষয়া সকলৰে এটা বিভাগীয় তদন্ত হৈছিল আৰু তাৰ Report ও শ্বিলঙলৈ আহিছিল। হয়তো Supply Minister মহোদয়েও মোক সেইটো পঢ়ি শুনাব পাৰে। অকল গুৱাহাটীৰ Deputy Commissioner আৰু Deputy Director, Supply ৰ ৰিপোৰ্ট পঢ়িলেই নহয় তাৰ লগত গুৱাহাটী আৰু ধুবুৰীৰ Supply Inspector দুজনৰ Report টো ও পালেহে সেই বিষয়ে সম্পূৰ্ণ কৈ বুজিব পাৰিম।

Shri Ramesh Chandra Barua—Firm খনৰ নামটো কি?

Shri Govinda Kalita—মই মোৰ বক্তব্য চমু কৰি আনিছো মোৰ প্ৰধান অভিযোগ হৈছে যে আমাৰ লোক সকলে যে বস্তুৰ চৰাদামৰ পৰা যে ভোগীবলগীয়া হৈছে তাৰ কাৰণে প্ৰধানতঃ জগৰীয়া আমাৰ যোগান বিভাগেই। যোগান বিভাগে এই পাইকাৰী ব্যৱসায়ীৰ লগত লগ-লাগি আদান প্ৰদান কৰাৰ কাৰণেই আজি অসমৰ বাইজে বস্তুৰ চৰাদামৰ দুৰ্যোগত ভোগিবলগীয়া হৈছে গতিকে মই বিশেষ কৈ বিশেষ বিশেষ ভাবে যিবোৰ অভিযোগ আনিছো তাৰ ভিতৰত চাউল, আটা, চেনি আৰু তেল আৰু কানাভাৰ পৰা অন্য সৰিয়হৰ সম্পৰ্কত তদন্ত হব লাগে। এই তদন্ত Department ৰ দ্বাৰা তদন্ত হব নালাগে আৰু এই তদন্ত বিলাক হব লাগিব এটা নিৰপেক্ষ কমিটিৰ দ্বাৰা। চৰকাৰে অতি সোনকালে যোগান বিভাগৰ কাম বিলাক সংশোধন কৰিব লাগে। যোগান বিভাগৰ Secretary ডাঙৰীয়াক তিনিবাৰ বদলি কৰা স্বত্বেও কিবা পাকচক্ৰত পৰি এতিয়াও যোৱা নাই। এইটোৰ প্ৰতি চৰকাৰে

চকু দিব লাগে। নিত্য প্ৰয়োজনীয় খাদ্য আৰু অন্যান্য সামগ্ৰীৰ বৰ্দ্ধিত দামে জনসাধাৰণক জুৰুলা কৰিছে। ভাৰতৰ কোনো অংশত অলপ দাম বাঢ়িলেই অসমত তাৰ তিনিগুণ বাঢ়ে আৰু তাৰ দাম কোনো দিনে আৰু নকমে। গতিকে বাইজৰ কল্যাণৰ হকে যোগান বিভাগৰ সকলো বিলাক খাম খেয়ালি এটা নিৰপেক্ষ তদন্ত কমিটিৰ দ্বাৰা কৰায় তাৰ ৰহস্য উৎঘাটন কৰিব লাগে।

Mr. Speaker—এতিয়া ৩টা ১৫ মিনিট হৈছে। Minister ক উত্তৰ দিবলৈ আধা ঘণ্টা সময় লাগিব। এতেকে এই সময় খিনিৰ ভিতৰত ৫/৬ মিনিট মানকৈ কওক। তাৰ পাচত Privilege Motion টো আহিব।

Shri Kamini Mohan Sarma—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীগোবিন্দ কলিতা ডাঙৰীয়াই জনসাধাৰণৰ নিত্য প্ৰয়োজনীয় বস্তুৰ দাম দিনে দিনে জুই চাই যেন বাঢ়ি যোৱাৰ ওপৰত যিটো আলোচনা কৰিছে তাৰ ওপৰত মই অলপ কওঁ।

আজি আমাৰ নিত্য প্ৰয়োজনীয় বস্তুৰ দাম ২ই গুণলৈ বৃদ্ধি পাই এটা গুৰুত্বপূৰ্ণ ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিছে। যদি নিত্য প্ৰয়োজনীয় জিনিচ পত্ৰৰ দাম যদি এই ধৰণেৰে বৃদ্ধি পাই থাকে তেনেহলে গৰীব পৰিয়াল, মধ্যবিত্ত লোক সকল, কম আয়ৰ চাকৰীয়াল সকল, বাগানৰ বনুৱা সকলৰ যে কি অৱস্থা হব সেইটো ভাবিবই নোৱাৰি। আজি চৰকাৰে চাকৰীয়াল সকলৰ দৰমহা যিমানেই নবঢ়াওক লাগে যদি নিত্য প্ৰয়োজনীয় বস্তু, বিশেষকৈ যদি খাদ্য সামগ্ৰীৰ দাম যদি নকমায় তাৰ পৰা চৰকাৰ বা জনসাধাৰণ কাৰোবেই কামত নাহিব। এই দাম বৃদ্ধিৰ কাৰণেই দুখীয়া জনসাধাৰণৰ জীৱনৰ মানদণ্ড তেনেই নিম্নগামী হৈ গৈছে। চৰকাৰে এইবোৰ কথাৰ প্ৰতি চোকা দৃষ্টি ৰাখিব লাগে। ধনী সকলে Tax ফাকি দিছে তাৰ কাৰণে খবৰ নাই। কিন্তু গৰীব জনসাধাৰণৰ পৰা অত্যাধিক দামলৈ জনসাধাৰণক পেপুৱা কৰিছে। এই বিলাক কথাৰ কাৰণে চৰকাৰে যথাযৰ্থ ব্যৱস্থা লব লাগে।

আৰু এটা ভয়াবহ Report ৰ কথা শুনিছো যে কানাডাৰ পৰা ঘি বিলাক সৰিয়হ আনিছে সেই ব্যৱস্থাৰ দ্বাৰাই আওপকীয়া

ভাবে আমাৰ খেতিয়ক সকলক নিঃচিন্ন কৰাৰ ব্যৱস্থা হৈছে। এইটো পৰিলক্ষিত হৈ আহিছে যে বানপানীয়ে যেতিয়া ধান নষ্ট কৰে তেতিয়া খেতিয়ক সকলে উপায়হীন হৈ জীৱন নিৰ্ব্বাহৰ কাৰণে সৰিয়হৰ খেতি কৰে আৰু তাৰ ফলত তেওঁলোকে উপযুক্ত দাম নাপায়। ব্যৱসায়ী সকলে সেই সৰিয়হ কম দামত কিনি গুডামত থৈ দিয়ে আৰু পিচত বাইজৰে অতি আৱশ্যকীয় মিঠাতেলৰ দাম বৃদ্ধি কৰি তেওঁলোকক জুৰুলা কৰে। নিত্য প্ৰয়োজনীয় এই বস্তু বিলাক সকলোৰে দৰ্কাৰ আৰু কম বেচি পৰিমাণে দুখীয়াৰ পৰা ধনী লৈকে কিনে। তেনেস্থলত দুখীয়া বাইজৰ জীৱন যাপনৰ অৱস্থাত আঘাট কৰে।

তাৰ পাচত অসমলৈ যি বিলাক ডালচেনি, লং, এলাচি আহে সেই বিলাক অপুৰুগীয়া হৈ পৰিছে এই বিলাক কোনোবা ফাৰ্মাচীৰ জৰিয়তে অনা হয় আৰু সেই বিলাক কোন কোন প্ৰতিষ্ঠানে পাই আমি গম নাপাও। এই বস্তুবোৰৰ গোপন ব্যৱসায় চলি থাকে এই বিলাকৰ এটা বিহিত ব্যৱস্থা চৰকাৰে কৰিব লাগে। যাতে সুলভ মূল্যত জন সাধাৰণে পাব পাৰে।

আগৰ অধিৱেশনত চৰকাৰে ধান চাউল উদ্বৈনদী হৈছে বুলি কৈছিল। এতিয়া ধান চাউলৰ দাম বাঢ়িছে চৰকাৰে কোৱা 'উদ্বৈনদী' শব্দটো কলৈ গ'ল আৰু এতিয়া শুনিছো খাদ্য সংকট আগন্তুক। এতিয়া ধানৰ দাম ২৫।৩০।৩৫ টকা পৰ্য্যন্তলৈ উঠিছে জহা, লাহি ধানৰ দাম ৪০।৫০ টকা হৈছে। এতিয়াই যদি এই অৱস্থা হয় তেনেহলে বানপানীৰ সময়ত মানুহে খাবলৈ নাপায় থাকিব লাগিব। মোৰ সমষ্টি বঙিয়া। এইটো এটা বানপিড়ীত অঞ্চল। এই অঞ্চলত Food Corporation আৰু Fair Price Shop ৰ জৰিয়তে খাদ্যৰ যোগান ধৰা হোৱা নাই।

(সময়ৰ সংকেত)

আটা, চেনিৰ সম্পৰ্কত চৰকাৰী 'কোটা' অনুযায়ী মানুহে পাব লাগে কিন্তু সেইবিলাক মানুহে পোৱা নাই। হালধি, দাইল. বুট আদি বাহিৰৰ পৰা আহে সেই বিলাকৰ ওপৰত নিয়ন্ত্ৰণৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে।

আমাৰ প্ৰয়োজনীয় বস্তু নিমখ। এই নিমখৰ কাৰণেই জাতিৰ পিতা মহাত্মা গান্ধীয়ে বৃটিছৰ আমোলত 'লোন কৰ আইন' অমান্য আন্দোলন কৰিছিল। আমি আমাৰ নিজস্ব চৰকাৰ ...... .......

আজি আমাৰ দেশত নিজস্ব চৰকাৰ হোৱা স্বত্বেও নিমখৰ দাম বস্তাত ৮ টকাৰ পৰা ১৯ টকা পাইছে। যোৱা নবেম্বৰ মাহত নাৰিকলৰ পুলি এটা ৰুবৰ কাৰণে নিমখ বিচাৰি গৈছিলোঁ। নিমখ মাটিত মিহলাই যদি গাঁতটো পূৰ কৰি নাৰিকল পুলি ৰোৱা হয়, তেতিয়াহলে সেই নাৰিকল পুলি ঠনধৰি উঠে আৰু ভাল ফল দিয়ে।

কিন্তু ১৯৭০ চনৰ নবেম্বৰ মাহৰ পৰা আৰম্ভ কৰি আজি মাৰ্চ্চ মাহৰ ২৩ তাৰিখে খবৰ পাইছোঁ যে এবস্তা নিমখৰ দাম ২০ টকা হ'ল। এইটো বৰ দুখৰ কথা যে দোপত দোপে নিমখৰ দাম বাঢ়ি আছে। অধ্যক্ষ মহোদয় আপুনি জানে যে পইতা ভাত খাবলৈ হলেও অতি গৰীব পৰিয়াল বিলাকে নিমখ ব্যৱহাৰ কৰে আৰু অতি ধনীলোকেও ব্যৱহাৰ কৰে। গতিকে ধনী দুখীয়া সকলোৰে ব্যৱহাৰ কৰা বস্তুৰ ওপৰত ইমান চৰা দাম কৰাটো কাৰো সহ্য নহয়। জাতিৰ পিতা মহাত্মা গান্ধীয়েও আইন অমান্য কৰি আন্দোলন কৰিছিল এই নিমখৰ কাৰণে।

গতিকে এই ধৰণে বস্তুৰ মূল্যৰ যাতে জুইচাই দাম নহয়; তাৰ কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ আৰু ইয়াৰ লগতে এটা কথা কওঁ যে আমাৰ গুৱাহাটী চহৰতো মানুহে জোৱা খেল খেলি থাকে একেবাৰে মুকলি ভাবে। এই বিলাক চতুৰালী বা চালাকী যাতে চৰকাৰে নকৰে তাৰ বাবে সাৱধান কৰি দিলো আৰু জনসাধাৰণেও যাতে কৰিব নোৱাৰে তাৰ বাবে যথাযথ ব্যৱস্থা লব বুলি আশা কৰি মই বহিলোঁ।

Shri Sailen Medhi—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগোবিন্দ কলিতাৰ প্ৰস্তাৱটো সমৰ্থন কৰি মই কেইষাৰমান কথা কব বিচাৰিছো।

আমাৰ চৰকাৰে বিগত মধ্যকালীন নিৰ্ব্বাচনত গৰীব জনসাধাৰণৰ মাজত slogan ৰ দ্বাৰা প্ৰচাৰ কৰিছিল যে জনসাধাৰণৰ দুঃখ দুৰ্দ্দশা নাশ কৰি দেশখনক আগুৱাই নিব। তাৰ ফল স্বৰূপে কালি আমাৰ বাজেটত দাঙি ধৰা বিত্তমন্ত্ৰী ডাঙৰীয়াৰ বাজেট বক্তৃতাটো কোনো ধৰণৰ নতুন

কৰ লগোৱা নাই। আমি ইতিমধ্যে দেখিছো যে ভাৰতৰ অন্যান্য ৰাজ্য বিলাকতো য'ত কালি বাজেট দাখিল কৰিছে তাতো কোনো ধৰণৰ নতুন কৰ কাটল লগোৱা হোৱা নাই। কিন্তু এইটো এটা চৰকাৰ পক্ষৰ পৰা শাসনত অধিস্থিত পক্ষৰ পৰা ডাঙৰ চাতুৰী যেন অনুমান হৈছে। কাৰণ এওঁহাতে কৰ নলগাই দেখুৱাব বিচাৰিছে যে সমাজতন্ত্ৰ ৰচনা কৰি আজি জনসাধাৰণক কৰৰ বোজাৰ পৰা ৰেহাই দিব। কিন্তু আনহাতে বস্তুৰ দাম বৃদ্ধিত উৎসাহ দি আওপকীয়া কৰে জনসাধাৰণক নানা অত্যাচাৰ কৰিছে। যাৰ ফলত জনসাধাৰণে আজি যিখিনি কৰ চৰকাৰক দিব লাগিলেহেতেন তাৰ দুগুণ টকা পইচা নিত্য প্ৰয়োজনীয় বস্তুত দিব লগা হৈছে। গতিকে চৰকাৰে আওপকীয়া ভাবে ব্যৱসায়ী সকলক ধনী হোৱাৰ এটা সুবিধা কৰি দিছে আৰু ব্যৱসায়ী সকলৰ লগত হোৱা চাতুৰী বা চতুৰালী বন্দবস্তত নতুন কৰৰ বাজেট দাঙি ধৰা নাই। মই কব বিচাৰিছো যে এওঁহাতে কৰ ৰেহাই দিব খুজিছে আৰু আনহাতেদি জনসাধাৰণে যাতে নিত্য প্ৰয়োজনীয় বস্তু কিনি যাব নোৱাৰে আৰু বৰ্দ্ধিত দামত যাতে ৰাইজৰ ককাল ভাঙি যায়, তাৰ ব্যৱস্থা কৰিছে। নিত্য প্ৰয়োজনীয় যিবিলাক বস্তু আমাৰ বজাৰত নাই, সেইবিলাকে অনাৰো ব্যৱস্থা চৰকাৰে কৰা নাই। উদাহৰণ স্বৰূপে কওঁ যে Baby Food আদি দুৰ্লভ বস্তু সমূহ, প্ৰয়োজনীয় দৰৱ পাতি বিশেষ ব্যৱস্থা কৰি অনাৰ কোনো চেষ্টা কৰা নাই। যি বিলাক আছে সেই বিলাকো বেছি ভাগেই ভেজাল। গোটেই ভাৰতবৰ্ষ জুৰি ভেজালৰ কাৰবাৰ চলি আছে। এই ভেজালৰ জৰিয়তে চৰকাৰে মানুহক অকাল মৃত্যুৰ মুখলৈ ঠেলি দিছে। গাখীৰ ভেজাল, চাউল ভেজাল, মাছ ভেজাল, মাখন ভেজাল। এই ভেজাল বস্তুৰ জৰিয়তে আমাৰ জনসাধাৰণৰ যিখিনি স্বাস্থ্য আছিল সেইখিনিও তিল তিলকৈ মৃত্যুৰ মুখলৈ পেলাই দিছে। ভেজাল নোহোৱাকৈ পাইছে কেৱল শাক-পাচলি আৰু ফলমূল আদি। কিন্তু এই বিলাকৰ দাম ইমান বেছি যে আমাৰ সৰ্ব্বসাধাৰণ ৰাইজৰ কিনাৰ ক্ষমতা নাই।

আমাৰ মৎস্য মন্ত্ৰী ডাঙৰীয়াই ইয়াত ঘোষণা কৰিছে যে মাছৰ চাহিদা যাতে পূৰণ কৰিব পাৰি, তাৰ কাৰণে যথেষ্ট ব্যৱস্থা হাতত লোৱা হৈছে।

কিন্তু অন্য কালে দেখিছো যে মাছৰ দাম ১০ টকাৰ পৰা ১৫ টকালৈ কিলোত হৈছে। গাৱেঁ ভূঁঞে মাছৰ 'ম' টোকে দেখা পোৱা নেযায়। খাল বিল যিবিলাক আছে, সেইবিলাক আমাৰ জনসাধাৰণে হস্তক্ষেপ কৰিব নোৱাৰাৰ কাৰণে মাছ-পুঠি দেখাই পোৱা নেযায়। অকল শাক-পাচলি খাই মানুহে চলিব নোৱাৰে। চৰকাৰে যিমানে যিবৃত্তি নিদিয়ক উৎপাদন বৃদ্ধি হৈছে, কিন্তু বজাৰত গৈ দেখা যায় যে ই কিনাৰ ক্ষমতাৰ বাহিৰত। আজি খাদ্য সামগ্ৰীৰ ওপৰত বৃদ্ধি হোৱা চৰা দাম ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে। গতিকে সুলভ মূল্য স্থিৰ কৰাত আৰু ভেজাল নোহোৱাকৈ যাতে অচিৰে বয়-বস্তু জনসাধাৰণে পাই, এই ক্ষেত্ৰত সম্পূৰ্ণ চৰকাৰ ব্যৰ্থ হৈছে।

আজি যোগান বিভাগে কি চহৰত, কি গাৱঁত, কি Industry, সকলো ঠাইতে সুচাৰুৰূপে বস্তু বিতৰণ কৰিব পৰা নাই। আজি চৰকাৰে Tax নলগায় বাহ বাহ লব পাৰে; কিন্তু জনসাধাৰণক বস্তুৰ মূল্য বৃদ্ধি কৰি তিল তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়া ব্যৱসায়ী সকলক চুৰি কৰাৰ সুবিধা কৰি দিছে। এইদৰে আওপকীয়া ভাৱে জনসাধাৰণৰ ওপৰত Tax লগাইছে। গতিকে অচিৰে ইয়াৰ এটা ব্যৱস্থা হাতত লোৱাৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

Shrimati Pranita Talukdar—অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকমিতা দেৱে আজি খাদ্য সামগ্ৰীৰ চৰাদামৰ প্ৰসঙ্গত যি প্ৰস্তাৱ দাঙি ধৰিছে সেই ক্ষেত্ৰত মই দুষাৰ মান কব খুজিছো।

আজি আমাৰ অসমৰ জনসাধাৰণৰ যি শোচনীয় আৰ্থিক অৱস্থা সেই অৱস্থাত খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক কথা। আমাৰ অসমখন এখন কৃষি প্ৰধান ৰাজ্য। ইয়াৰ বেছিভাগ মানুহেই কৃষিৰ ওপৰত জীৱন ধাৰণ কৰি আছে। তেনে ক্ষেত্ৰত আজি আমি দেখা পাইছোঁ যে প্ৰাকৃতিক দুৰ্য্যোগেও আমাৰ জনসাধাৰণৰ অতি মৰমৰ খেতি পথাৰ উচ্ছন্ন কৰি ৰাইজক জুৰুলা কৰি পেলাইছে। তেনে ক্ষেত্ৰত সকলো ধৰণৰ খোৱা বস্তুৰ যদি জুই-চাই দাম হয়, তেন্তে ৰাইজৰ মাজত কেনে ধৰণৰ ভাৱৰ সৃষ্টি হব পাৰে সেইটো মই নকলেও সকলোৱে

বুজিব পাৰিব। যোৱা ২২ মাৰ্চ্চৰ নতুন অসমীয়া বাতৰি কাকতৰ দুই পৃষ্ঠাত থকা "কামৰূপ, বৰপেটা মহকুমাত বস্তুৰ চৰাদামত ৰাইজৰ দুৰাৱস্থা"। এই শিতানত প্ৰকাশিত কথাখিনিৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। বৰপেটা মহকুমাত যোৱা বছৰৰ বানপানীয়ে চেঙা, মণ্ডিয়া, বাঘবৰ আৰু গড়াখহনীয়াই সৰভোগ আদি কিছুমান ঠাইত যি তাণ্ডৱ লীলা দেখুৱালে তাৰ ফলত আজি আমাৰ সৰ্ব্বসাধাৰণ মানুহৰ মাজত দুৰ্যোগে দেখা দিছে আজি খেতিৰ পথাৰত আমি খেতি দেখিবলৈ পোৱা নাই। শালিধানৰ খেতিৰতো কথাই নাই আনকি ৰবিশস্যৰ উৎপাদনো সেই অঞ্চলৰ ৰাইজে কৰিব পৰা নাই। তাৰ ফলত আমাৰ ভোগালী বিহু গৈ কঙালী বিহুত পৰিণত হ'ল। মই আজি বৰপেটা মহকুমাৰ কথাই কৈছো। আজি বৰপেটা মহকুমাত কেইমাহমান ধৰি খৰাং বতৰ হৈছে। ফলত পানীৰ অভাৱত মৰাপাট, আহু আদি সিচিবই পৰা নাই আৰু ফলত খেতিয়কসকল হাত সাৱটি বহি থাকিব লগা হৈছে। গতিকে মই আশাকৰো এই বিলাক অৱস্থালৈ নিৰীক্ষণ কৰি আমাৰ চৰকাৰে তৎপৰ ব্যৱস্থা গ্ৰহণ কৰিব। আজি অসমৰ বহুত ঠাইত বিশেষকৈ বৰপেটা মহকুমাৰ সৰভোগ, হাউলী, বৰপেটা ৰোড, কয়াকুছি আদি বজাৰত বস্তুৰ জুই-ছাই দাম হৈছে। ধানৰ প্ৰতি কুইন্টলত ৮৫ টকাৰ পৰা ৮৮ টকালৈ বৃদ্ধি পাইছে। ঠিক সেইদৰে মিঠাতেল আদি সকলো বস্তুৰে দাম বাঢ়িছে। ফলত সৰ্ব্বসাধাৰণ ৰাইজে ল'ৰা-ছোৱালীৰ শিক্ষাৰ মাচুল দিয়াটো দূৰৈৰ কথা, নিজৰ জীৱন ধাৰণৰ কাৰণে লগা খোৱা বস্তু খিনি কিনি লব পৰা নাই। গতিকে এই ক্ষেত্ৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। আজি চৰকাৰে এনেকুৱা ধৰণৰ ব্যৱস্থা লোৱা উচিত যাৰ দ্বাৰা ৰাইজক এই দৰিদ্ৰতাৰ কবলৰ পৰা ৰক্ষা কৰিব পৰা যাব। গোটেই অসমতে ঠায়ে ঠায়ে বস্তুৰ দামৰ তাৰতম্য দেখা যায়— আজি গুৱাহাটীত কৈ শ্বিলঙত শাক পাচলিৰ মূল্য দুগুণ। চৰকাৰে আজি এনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিবলাগে যাৰ দ্বাৰা এই অসামঞ্জস্যতা দূৰ কৰিব পৰা হয়। অন্ততঃ আগত আমাৰ যি জাতীয় উৎসৱ ৰঙালী বিহু আহিছে তাত যাতে চৰকাৰে এই বস্তুৰ মূল্য অলপ control কৰি যাতে ৰাইজক সুখে-শান্তিৰে বিহু পালন কৰিব দিব পাৰে তাৰ কাৰণে চৰকাৰৰ দৃষ্টি

আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Shri A. N. Akram Hussain—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম খনক এপিনৰ পৰা কলা বেপাৰীয়ে আৰু আনপিনৰ পৰা বাহিৰৰ পৰা অহা শোষণকাৰীয়ে যি অৱস্থাৰ সৃষ্টি কৰিছে—তাৰ ফলত অসমত বস্তুৰ দাম বাঢ়ি গৈছে। ইয়াত আমাৰ চৰকাৰে ইন্ধন যোগাইছে বুলি ক'লেও ভুল কোৱা নহব। আজি অসমৰ অধিকাংশ লোকেই অনাহাৰে থাকিব লগা হৈছে। আজি যদি বস্তুৰ দাম বঢ়াৰ কাৰণে আমাৰ খেতিয়ক ৰাইজৰ লাভ হ'লহেঁতেন—তেতিয়াহলে আমি সেইবিষয়ে চিন্তা নকৰিলোহেঁতেন। আজি এই চৰকাৰৰ Agent কিছুমান কলা বেপাৰীয়ে ধান চপোৱা বতৰত ১৫/১৬ টকা মোনে ধান কিনি লৈ যায় আৰু সেই ধানৰ দাম এতিয়া প্ৰতি কুইণ্টলত ১০০ টকা। আজি অসমৰ ৰাইজ আৰু খেতিয়কে এমুঠি ভাতৰ কাৰণে হাহাকাৰ হৈছে।

অধ্যক্ষ মহোদয়, আনকি আজি কলা বেপাৰীয়ে ৰঙীন সূতাও বজাৰত নাইকীয়া কৰিছে। যি সূতাৰ দ্বাৰা আমাৰ গাওঁৰ শিপিনীয়ে বিহুৱান কৰিব পাৰে সেই সূতাৰ কাৰণেও আজি আমাৰ গাওঁত হাহাকাৰ হৈছে। আজি আমাৰ এই ৰঙালী বিহুটোকো চোৰাং বেপাৰী সকলে কঙালীত পৰিণত কৰিছে। আমাৰ মাননীয় সদস্যা শ্ৰীমতী প্ৰণীতা তালুকদাৰ ডাঙৰীয়ানীয়ে যোধকৰো কবলৈ যেয়া পালে যে, এই চৰকাৰে আজি আমাৰ ৰঙালী বিহুটোকো কঙালীত পৰিণত কৰিছে।

এতেকে অধ্যক্ষ মহোদয়, বহাগ বিহুৰ আগেতে যদি আমাৰ যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে বস্তুৰ মূল্য কমাব নোৱাৰে—তেতিয়াহলে পদত্যাগ কৰক। এই চৰকাৰে "গৰিবী হটাও" ৰ নামত আমাৰ ৰাইজক মৃত্যুৰ মুখলৈ ঠেলি দিছে। এই ক্ষেত্ৰত মই চৰকাৰক এটা পৰামৰ্শ দিব খুজিছো যে, অসমত যিমান বিলাক খাদ্য সামগ্ৰী আৰু নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱসায় প্ৰতিষ্ঠান আছে বা যিবিলাক ব্যক্তিগত ব্যৱসায় আছে এই বিলাক State Trading ৰ হাতলৈ বা Co-operative কৰক। তেতিয়া আৰু যোগান মন্ত্ৰী হবলৈ কাৰো হেপাহ নাথাকে। আমাৰ মন্ত্ৰী ডাঙৰীয়া সহজ সৰল, সাধু আৰু গান্ধীবাদী। সেইকাৰণে তেখেতক এইটোৰ প্ৰতি

চকু দিবলৈ অনুৰোধ কৰিলো আৰু বঙালী বিহুৰ আগতে অসমত খাদ্য মূল্য হ্রাস কৰিবলৈ ব্যৰ্থ হলে পদত্যাগ কৰিবলৈ দাবী জনালো। নহলে আমাৰ সৰ্ব্বসাধাৰণে অভিশাপ দিব। এই খিনিকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

Mr. Speaker—I fixed 2.30 P.M. as the limit for the general discussion and thereafter half an hour for the Minister. Now it is 2.40 P.M. Some more Hon. Members want to speak. If the House agrees I can close the debate and ask the Minister to reply. Is that the sense of the House? (voices)

Another ten minutes and then I shall close.

*M. Shamsul Huda—মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ মাননীয় সদস্য শ্ৰীগোবিন্দ কলিতা ডাঙৰীয়াই বস্তুৰ মূল্য বৃদ্ধি সম্পৰ্কে যিবিলাক তথ্যপাতি দাঙি ধৰিছে তাৰ পৰা দেখা যায় যে, চৰকাৰৰ কৰ্মচাৰী সকলে কলা ব্যৱসায়ীৰ লগত যুটীয়া ভাবে যুক্ত হৈ বস্তুৰ এটা কৃত্রিম অনাটনৰ সৃষ্টি কৰি বস্তুৰ মূল্য বৃদ্ধি কৰিছে। এই দুৰ্নীতি পৰায়ণ ব্যৱসায়ী সকলক ধৰি শাস্তি দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে কলিতা ডাঙৰীয়াই যি প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱটো সমৰ্থন কৰি মই এটা প্ৰস্তাৱ আগবঢ়াও যে, এই ক্ষেত্ৰত এটা তদন্ত কমিটি গঠন কৰিব লাগে। আৰু তাৰ মাজেদি মানুহৰ ৰক্ত শোষণ কৰিবৰ কাৰণে আজি বস্তুৰ মূল্য বৃদ্ধি কৰিছে। কাৰণ যোগান বিভাগেই ইয়াৰ ৰক্ষক হিচাবে আছিল কিন্তু ৰক্ষকেই আজি ভক্ষকৰ কাম কৰিছে। আৰো যোগান বিভাগক জেউৰা দিছে কিন্তু সেই জেউৰাই খেতি খিনিও খাই পেলাইছে। যোগান বিভাগেই সকলো খাদ্য দ্ৰব্যৰ মূল্য বৃদ্ধি কৰি বাইজৰ মাজত কৃত্রিম অনাটনৰ সৃষ্টি কৰিছে। তাৰ বাহিৰেও মাননীয় সদস্য কলিতা ডাঙৰীয়াই যি তথ্যপাতি দাঙি ধৰিছে তাৰ দ্বাৰা দেখা গৈছে যোগান বিভাগেই ঘাইকৈ ইয়াৰ কাৰণে দায়ী। Supply বিভাগেই চোৰাং ৰেপাৰী সকলক

Permit issue কৰি বাইজৰ মাজত কৃত্ৰিম অনাটনৰ সৃষ্টি কৰি বস্তুৰ মূল্য ভতাস্ত বৃদ্ধি কৰিছে। তাৰ উপৰিও বিভাগৰ পৰাই Permit লৈ তেওঁলোকৰ হুকুম মতেই আজি চেনিৰ দুৰ্যোগ্যৰ সৃষ্টি কৰিছে, ঠিক তেনেকৈয়ে চাউলৰ ক্ষেত্ৰতো মূল্য বৃদ্ধি কৰিছে। সৰিয়হৰ ক্ষেত্ৰটো মিল মালিক সকলে কৈছে যে যিখিনি সৰিয়হ আমাৰ উৎপাদন হয় সেইখিনি অসমতে লাগে। তেনেস্থলত এতিয়া নতুন সৰিয়হ উৎপাদন হৈছে যদিও আমাৰ সৰিয়হ বহুত বাহিৰলৈ গৈ আছে। আমাৰ সৰিয়হৰ উৎপাদন অনুসৰি সৰিয়হৰ মূল্য অনুযায়ী তেলৰ দাম হব লাগিছিল ৩/৪ টকা কিলো। কিন্তু আমি ৭ টকা কিলো হিচাবে তেল খাবলগিয়া হৈছে তাৰ কাৰণে যোগান বিভাগেই দায়ী তেওঁলোকে Black Market ৰ লগত যোগা-যোগ কৰি বস্তুৰ দাম বৃদ্ধি কৰিছে। অধ ক্ষ মহোদয়, মোৰ সময় বেচি নহয়, সেই কাৰণে বক্তব্য সামৰণি মাৰিলো কিন্তু তাৰ আগতে চৰকাৰক অনুৰোধ কৰিছো যে এই মূস্য বৃদ্ধিৰ কাৰণটো তদন্ত কৰিবৰ কাৰণে যাতে এখন তদন্ত কমিটি পাতি দিয়া হয়। নহলে আমাৰ দেশৰ বৰ্ত্তমান যি অৱস্থাৰ সৃষ্টি হৈছে তাৰ পৰা অতি সোনকালে দেশত দুৰ্ভিক্ষৰ সৃষ্টি হব। সেই কাৰণে তদন্ত কমিটি পাতিবলৈ অনুৰোধ জনালো।

Dr. Surendra Nath Das—অধ্যক্ষ মহোদয়, শ্ৰীগোবিন্দ কলিতাই যিটো প্ৰস্তাৱ দাঙি ধৰিছে সেইটো সমৰ্থন কৰি দুষাৰমান কম। আৰু ইয়াৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক ক'ব বিচাৰিছো যে যেতিয়া ধানৰ Procurement ৰ সময় সেইসময়ত আমাৰ খেতিয়ক সকলে ধানৰ উপযুক্ত দাম নোপোৱাতো সকলোৱে জানে। সেই সময়ত যদি নিষ্ঠা সহকাৰে ধান সংগ্ৰহ কৰিলেহেঁতেন তেতিয়া ধানৰ দাম ৪০ টকা নহ'লহেঁতেন। Paddy movement Restrict কৰাত ঘাটি অঞ্চলৰ বাইজৰ অসুবিধা হৈছে। Paddy procure-ment Restriction অনুযায়ী মাত্ৰ ৫ quintal ধানহে অনা-নিয়াৰ ব্যৱস্থা আছে মোৰ মতে এই ব্যৱস্থা উঠাই দিব লাগে। বানপানীৰ সময়ত বৰপেটা মহকুমাৰ বাইজ বিষম ভাবে দুৰ্দ্দশাগ্ৰস্ত হৈছিল। এক মাত্ৰ গোবৰ্দ্ধনা আৰু Houli ৰ কিছু অংশৰ বাহিৰে গোটেই মহকুমাতে বাইজ ক্ষতিগ্ৰস্ত হৈছে; তেনেস্থলত আন ঠাইৰ পৰা ধান আনিব নোৱাৰিলে মানুহৰ বিষম

হাহাকাৰ হব। মাননীয় আটাউৰ ৰহমান আৰু জালালউদ্দিন চাহাবৰ সমৰ্থিত ধান বাহিৰৰ পৰা আনিবলৈ অনুমতি নিদিলে সেই অঞ্চলৰ মানুহৰ হাহাকাৰ লাগিব। কাৰণ যোৱা বানপানীত খেতি-বাতিৰ কি অৱস্থা হৈছিল সেইখেত সকলে জানে। আজি চৰকাৰে Slogan দিয়ে যে গৰীবি হাতাও। কিন্তু নিৰ্ব্বাচন যোৱাৰ লগে লগে দেখা গ'ল বস্তুৰ মূল্য বাঢ়ি আহিছে। তেওঁলোকে শাসনত অধিষ্ঠিত হোৱাৰ পিছৰ পৰাই বস্তুৰ দাম বাঢ়িল বুলি কব পাৰি। নিৰ্ব্বাচনৰ পিছৰ পৰাই মিঠাতেল ৫ টকা কেজি হ'লগৈ। সেইদৰে চাউলৰ দাম আছিল কুইণ্টলে ১৩০ টকা আৰু নিৰ্ব্বাচনৰ পিচতেই ১৫০ টকা কুইণ্টল হ'লগৈ। জহাচাউল বজাৰত এতিয়া নোপোৱাই হ'ল, মাছৰ দাম ৮/৯ টকা কেজি আছিল, সি এতিয়া ১৫ টকালৈ বাঢ়িল। তেনেকৈ প্ৰত্যেকটো খাদ্য বস্তুৰ দাম নিৰ্ব্বাচনৰ পিছত বাঢ়ি গৈছে। আমাৰ গৰীব জনসাধাৰণ বাচি থাকিবৰ কাৰণে যিবিলাক বস্তুৰ প্ৰয়োজন সেইবিলাক বস্তু জনসাধাৰণক সুলভ মূল্যত দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে চৰকাৰক আহ্বান জনালো। প্ৰত্যেক গাওঁ পঞ্চায়তত একোখনকৈ সুলভ মূল্যৰ দোকান খুলি দিবলৈ অনুৰোধ জনালো।

Shri Upendra Nath Sanatan—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোবিন্দ কলিতাই যিটো প্ৰস্তাৱ আনিছে, যে খাদ্য সামগ্ৰীৰ ওপৰত যথেষ্ট দাম বাঢ়িছে, এইটো এতিয়া দুখীয়া গৰীব সকলে যিবিলাকে বস্তু কিনি খায় তেওঁলোকৰ উপায় নাইকীয়া হল। ধনীক শ্ৰেণীৰ মানুহবিলাকে যিটো উপাৰ্জ্জন কৰে সেইটোৰে চলাটো দিগদাৰ হৈ পৰিছে। অকল দাম বঢ়া কথাই নহয়, মিঠাতেল আদিত ভেজাল কৰিছে। সেই বিলাকৰ কাৰণে মই চৰকাৰক অনুৰোধ কৰো যে এই সম্পৰ্কে তদন্ত কৰিব লাগে। তদুপৰি যোগান বিভাগৰ Supdt., Inspector, Director আদিয়ে চাব লাগে আৰু চাহ বাগানৰ বেছি ভাগেই কিনি খায়। চাউলৰ দাম যদি টাউনত কিলোত ১ টকা হয় তেন্তে বাগানত ২ টকা হব। মিঠাতেল লিটাৰত ৫ টকা হলে বাগানত ৮ টকা। ইয়াৰ কোনো মা-বাপ নাই। সেই কাৰণে এইটোৰ তদন্ত হব লাগে। যদি ইমান অত্যাচাৰ চলে তেন্তে এই কাৰণে মই যোগান বিভাগৰ মন্ত্ৰী মহোদয়ক

অনুৰোধ কৰিছো যে আৰু যোগান বিভাগত যিসকল কৰ্ম্মচাৰী আছে, তেওঁলোকক সতৰ্ক কৰি দিব লাগে যাতে এই অত্যাচাৰৰ পৰা জনসাধাৰণ ৰক্ষা পৰে।

*Shri Dulal Chandra Barua—Mr. Speaker Sir, the subject matter which has been raised by the Hon'ble Member today is a very important matter. In that very important matter we cannot do justice by discussing it within only a few minutes. But whatever it may be I must draw the attention of the Government, specially Minister in charge of Supply, to the trend of rising prices, which is now beyond control of the Government. Government practically failed to control prices where it ought to have been controlled. More so, whatever statement that has been issued by the Government till today, no effective measure or effective machinery has been set up to control prices. Now, Sir, if you go through the list of rising prices of essential commodities by taking 15th April as a base year up to today the percentage of prices of essential commodities like dal, rice and vegetales, ghee, mustard oil etc. has gone up by 85 per cent and we have repeatedly asked the Government to have a controlling machinery so that there can be a uniform price throughout the State. But on this plea or that plea they have not done anything and they have given free hands to the black-marketeers, swilders and bloodsuckers, who are sucking the blood of the

* Speech not corrected

common people everyday. The common people of Assam have been allowed to be exploited by the swilders, black-marketeers every day. As for instance, this Government will not come forward to control the prices because they have sold out their heads in the last General Election by collecting money from the millers and such other black marketeers. In the mean time, the prices of all essential commodities have been allowed to rise to a great extent and the Government is sitting tight over the matter. They cannot do so because they have not that courage to control prices as they sold out their heads in the name of election. They are now thinking of having their majority in the House of Parliament at Delhi. Now, I must tell you very frankly that this Government have committed so many things, they have promised so many things, but if you examine their activities you will find that in the last General Election they have some alliance with those blood-suckers and the common people are reduced to rather skeleton and they are pushed to the death. Therefore, Sir, by considering this aspect. by now, before this election we got coarse rice at prices between Rs. 1.25 and 1.30 at the maximum. But within these few days it has gone up to Rs. 1.90 to Rs. 2.00. Now, what is the machinery. Government would have been telling that there should be machinery to look after the prices of the essential commodities, there should be vigilence officer

